চান্দমামা

জুলাই ১৯৯৫



REWARD!
BRING 10 DIFFERENT WRAPPER STORIES AND THEIR WRAPPERS TO GET 3 MONOPACKS FREE
Big Babol
SOFT NON STICKY BUBBLE GUM
HURRY KIDS!
Look out for wrapper stories inside Big Babol monopacks only
Collect the reward from your nearest dealer
Offer available in select cities
PERFETTI
McCann/PERFETTI/ 995

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

BACK TO SCHOOL WITH CHELPARK
chelpark
WAX CRAYONS
chelpark
CHELPARK RANGE OF PRODUCTS
WAX CRAYONS, WATER COLOUR CAKES, PEN, PENCIL, INK, OIL PASTELS,
MOPPLES COLOUR SET. WATER COLOUR SET.
chelpark
CHELPARK COMPANY PVT. LTD.
A-93, Industrial Estate, Rajajinagar,
Phone: 91-080-3351562/3351694
Bangalore - 560 044

World-class travel alternatives for
those who stumble, stagger and crawl.
Toys that transport youngsters to fantasyland. An international range of safe, electronic playthings. From Mum Toys. Ideal for the adorable someone who just can't stay still at one place.
TUMBLING MARS RANGER
Outer space training for the young astronaut at home
ROARING TOM JET
Jet-age fun for the roaring pilot-to-be
ORION EXPRESS
Voice-aided amusement for your li'l hi-steam engine
FIRST RIDER
Driving lessons for the li'l L-board in your house
COSMO COP
The police car of the future... to keep that li'l rascal in check
MUM TOYS
8000.96
HEAD OFFICE: M.M.Toys Industries Ltd., 5, Chandra Bagh Avenue, Mylapore, Madras-4. Ph: 855151, Fax: 84391

চান্দমামা

*

জুলাই ১৯৯৫

এই * আছে

সংখ্যাত

*

ছাত্ৰশক্তি আৰু ৰাজনীতি	:	৭	ভাৰতৰ দুৰ্গ	:	৩৩
পৃথিৱীৰ খিৰিকীবে	:	৯	ভূতেই ওজাৰ ঔ	:	৩৭
উপনিষদৰ সাৰ	:	১০	কামিলা	:	৪১
চোলা চাই জেপ	:	১৬	মহাভাৰত	:	৪৫
অতুল-সুন্দৰী	:	১৭	মূল-সূত্ৰ	:	৫২
চান্দমামা-সমবাদ	:	২৪	চান্দমামা-ক্ৰোড়পত্ৰ	:	৫৩
তিনি ত্যাগীৰ কাহিনী	:	২৫	ছাল নথকা গছ	:	৫৭
থোৰৰ কথা	:	৩২	টেঙৰৰ ডিঙিত ডোল	:	৬২

*

ফটো-প্ৰতিযোগিতা-পুৰস্কাৰ : ৬৫

চান্দমামা : খনে : ৫'০০ টকা মাথোন

বছৰেকীয়া বৰঙনি : ৬০'০০ টকা মাথোন

চান্দমামা

সংস্থাপক : চ ক্র পা ণি　　সঞ্চালক : বি নাগিৰেড্ডি

ছাত্ৰশক্তি আৰু ৰাজনীতি

ভাৰতত বৃটিছৰ শাসনকালত, ইংৰাজ-বিৰোধী আন্দোলনত, ছাত্ৰ-সকলকো ইংৰাজ-খেদা যুদ্ধলৈ যে আহ্বান জনোৱা হৈছিল, আৰু তেতিয়াৰ সেই 'ছাত্ৰশক্তি'য়ে যে স্বাধীনতা-আন্দোলনত বৰঙনি যোগাইছিল, সেই কথা অভ্ৰান্ত সত্য। কিন্তু স্বাধীনতা-অন্দোলন সফল হোৱাৰ অন্তত সেই 'ছাত্ৰশক্তি'ক পুনৰ 'কেৱল ছাত্ৰ' হৈ অধ্যয়নত মনোনিবেশ কৰিবলৈ পৰামৰ্শ কিমানদূৰ সফল হ'ল সেই কথা গৱেষণাৰ বিষয়। স্বাধীনতা-আন্দোলনৰ গুৰি-ধৰোঁতাসকলৰ মাজত বহুতেই 'ৰাজনৈতিকতাৰ সোৱাদ পোৱা' ছাত্ৰ-সমাজৰ অধ্যয়নশীলতাত শৈথিল্যৰ বিপদ দেখা পাইছিল, আৰু বিভিন্ন ভাবে ছাত্ৰ-সমাজক তেওঁলোকৰ এই যিপদৰ কথা সোঁৱৰায়ো দিছিল ; কিন্তু এই সোঁৱৰণিয়ে বৰ গুণ দিছিল বুলি কোৱা নাযায়। এই বাবে ছাত্ৰ সমাজ দায়ী নহয়, দায়ী হ'ল -- তথাকথিত ৰাজ-নীতিবিদসকলেই। তেওঁলোকেই বিদ্যালয়ৰ ভিতৰে-বাহিৰে—ৰাজনৈতিক ভিত্তিত কাৰ্য্যক্ৰম স্থিৰ কৰিবলৈ উদগাইছিল। এতিয়া স্কুল-কলেজতো ৰাজনৈতিক দলৰ সহায়পুষ্ট বিভিন্ন কমিটি পতা হৈছে আৰু বছৰৰ ভালেমান দিন এই আধা-ৰাজ-নৈতিক কাৰ্য্যকালাপত ছাতৰসমাজে তেওঁলোকৰ জীৱনৰ অমূল্য সময় অতিবাহিত কৰিবলৈ বাধ্য হৈছে, যাৰ ফলত—অনিবাৰ্য্যভাবে পঢ়-শুনাহে ক্ষতিগ্ৰস্ত হৈছে। আমাৰ বিশ্বাস. আমাৰ সমাজৰ 'ছাত্ৰশক্তি'য়ে এই বিষয়ে সন্মিলিত সিদ্ধান্ত লোৱা আৱশ্যক যে—

ৰাজনৈতিক কৰ্মকাণ্ড ছাত্ৰৰ বাবে আৱশ্যকীয়নে ?

বছৰ : ২০　জুলাই ১৯৯৫　সংখ্যা : ৪

খনে ৫·০০ টকা :: বছৰেকীয়া বৰঙনি ৬০·০০ টকা

প্ৰাইমৰ বিজয় ৰেখা
PRIME LEADER
PRIME GENIUS
MATHEMATICAL DRAWING INSTRUMENTS
PRIME RANK
PRIME MERIT
MATHEMATICAL DRAWING INSTRUMENTS
আগবঢ়োৱা হৈছে অতি উৎকৃষ্ট মানৰ এক কম্পাচ বক্স যাক অতি মাত্ৰা শুদ্ধতা, সম্পূৰ্ণ নিয়ন্ত্ৰণ আৰু বেচি দক্ষতা দিবৰ বাবে বিশেষভাৱে ডিজাইন কৰা হৈছে।
আপোনাৰ কণমাণি প্ৰতিভাময় সন্তানটিৰ হাতত তুলি দিয়ক প্ৰাইমৰ সুবিধা। দেখিব, সকলো এৰি ইয়েই হৈ পৰিছে তেওঁৰ সৰ্বক্ষণৰ লগৰী।
প্ৰাইম মেৰিট
প্ৰাইম ৰেংক
প্ৰাইম জিনিয়াচ
প্ৰাইম লীডাৰ
মেথেমেটিকেল ড্ৰইং ইন্সট্ৰুমেন্ট
PIDILITE PRODUCTS

PID 63 95 ASS

পৃথিৱীৰ খিৰিকীৰে
আ য়া ৰ ল্যা ণ্ড ত শা ন্তি-নি জ ৰা

আয়াৰল্যাণ্ডৰ জনসাধাৰণে 'ছেইন্ট প্যাট্ৰিকছ ডে' অতি গুৰুত্বৰে তথা শ্ৰদ্ধাৰে পালন কৰে। ৪ খৃষ্ট-পূৰ্বাব্দত আয়াৰল্যাণ্ড আছিল ক্ৰেল্টইতৰ এখন উপনিবেশ ৯০০ বছৰৰ পাছত আয়াৰল্যাণ্ডত খৃষ্টধৰ্ম পোন প্ৰথমে প্ৰচাৰিত হৈছিল প্যাট্ৰিকৰ প্ৰচেষ্টাৰে। প্যাট্ৰিকৰ জন্ম বৃটেইনত, আৰু তেওঁক দস্যুইতে অপহৰণ কৰি লৈ গৈছিল। পাছত তেওঁ খৃষ্টীয় শিক্ষাৰে শিক্ষিত হৈ মিশ্যনাৰি হ'ল আৰু ৪৫০ খৃষ্টাব্দমান তেওঁ গৈ গৈ আয়াৰল্যাণ্ড পালেগৈ, আৰু তাত খৃষ্টধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত মনে-চিতে লাগিলগৈ। গতিকে— খৃষ্টধৰ্মিতাৰ অগ্ৰদূতৰূপে তেওঁক তাত গণ্য কৰা হয়, আৰু ১৭ মাৰ্চৰ দিনা তেওঁক সোঁৱৰা হয়।

এই বছৰৰ ১৭ মাৰ্চৰ দিনা ছেইন্ট প্যাট্ৰিকছক ৱাশ্বিংটনত সোঁৱৰা হ'ল আৰু এই মহতী অনুষ্ঠানত—আয়াৰল্যাণ্ডৰ প্ৰধানমন্ত্ৰী জন ব্ৰাটন আৰু মি. গেৰি অ্যাডামছ নামৰ নেতা দুগৰাকীয়ে সেই অনুষ্ঠানত অংশগ্ৰহণ কৰিলে। কিন্তু বৃটেইনে এই কথাত ভাল নাপালে। যি কি নহওক—এই দুগৰাকী নেতাক ৰাজনৈতিক নেতাৰ মৰ্য্যাদাৰে গ্ৰহণ কৰি আমেৰিকাই আয়াৰল্যাণ্ড আৰু বৃটেইনৰ মাজত যুদ্ধ পৰিহাৰ কৰি শান্তিস্থাপনৰ বাবে বাৰ্তালাপ আৰম্ভ কৰিলে; কিয়নো— ছিনফিন নেতা মি. অ্যাডামছ আছিল আইৰিশ্ বিপাবলিক্যান আৰ্মিৰ মুখপাত্ৰ বুলি জনাজাত।

আয়াৰল্যাণ্ড হ'ল এখন বিভক্ত দেশ। এই দেশৰ উত্তৰভাগ বৃটেইনৰ পাতলিত (গ্ৰেট বৃটেইন, স্কটল্যাণ্ড ওৱেলছ) আৰু দক্ষিণভাগ হ'ল আইয়্যাৰ বা আয়াৰ, অৰ্থাৎ ৰিপাবলিক অব্ আয়াৰল্যাণ্ড। ১৯১৬ চনত বৃটেইনৰ শাসনৰ বিৰুদ্ধে অভ্যুত্থানৰ পই পৰিণতি। কালক্ৰমে, ১৯৪৯ চনত দক্ষিণভাগ তথা আয়াৰল্যাণ্ড ৰিপাবলিকে বৃটিছ কমনৱেল্থ ত্যাগ কৰিলে। ১৯১৬ চনত য়েমান ডি. ভ্যালেৰাই বিদ্ৰোহত অংশগ্ৰহণ কৰিছিল আৰু কাৰাৰুদ্ধ হৈছিল। তাৰ পাছত ১৯ ৭ চনত জাতীয়তাবাদী দল ছিনফিনৰ নেতাৰূপে বৃটেইনৰ সৈতে যোগাযোগ কৰিছিল; কিন্তু সেই যোগাযোগ ব্যৰ্থ হৈছিল। যি কি নহওক, কালক্ৰমে তেওঁ ১৯৩২ চনত আয়াৰল্যাণ্ডৰ প্ৰধানমন্ত্ৰী আৰু ১৯৫৯ চনত ৰিপাবলিক অব্ আয়াৰল্যাণ্ডৰ ৰাষ্ট্ৰপতিৰ পদ অলংকৃত কৰিছিল।

উত্তৰভাগৰ প্ৰ'টিস্ট্যাণ্টসকলে বৃটেইনৰ সৈতে আয়াৰল্যাণ্ডৰ সংযুক্তিক সমৰ্থন কৰিছিল; কিন্তু ক্যাথলিকসকলে আয়াৰল্যাণ্ড ৰিপাবলিকৰ সৈতে সংযুক্তিলৈ সমৰ্থন জ্ঞাপন কৰিছিল, আৰু এই কথাত ১৬৬৯ চনৰপৰা লাগিল দ্বন্দ্ব।

আৰু তাৰ পাছৰপৰা—দীৰ্ঘ ২৫ বছৰ ধৰি বৃটিছ সৈন্যবাহিনীৰ সৈতে আই আৰ এ-ৰ (IRA) ৰক্তক্ষয়ী সংগ্ৰাম; যি-ৰক্তক্ষয়ী সংগ্ৰামৰ বলি কমেও ৩০০০।

১৯৯৪ চনত আই আৰ এ-ই তেওঁলোকৰ গৰিলাযুদ্ধৰ বিৰতি ঘোষণা কৰিলে।

আমেৰিকাই ছিন ফিনক এক উগ্ৰপন্থী দল হিচাপে ঘোষণা কৰিছিল, কিন্তু পাছত, আই আৰ এ-ই গৰিলা যুদ্ধৰ বিৰতি ঘোষণা কৰাত আমেৰিকাৰ ৰাষ্ট্ৰপতি বিল ক্লিনটনে বৃটেইন আৰু আয়াৰল্যাণ্ডৰ মাজত শান্তিৰ নিজৰা বোৱাবলৈ উদ্যোগী হ'ল।

পৃথিৱীৰ খিৰিকীয়েদি ইয়াতকৈ ভাল দৃশ্য আৰুনো কি দেখা যাব? দেখা কথা—এই দৃশ্যকে পৃথিৱীৰ সমূহ ৰাইজে দেখিবলৈ বিচাৰে।

উপনিষদৰ সাৰ

সুশান্ত আৰু সুমন একেইখন গুৰুকুলত শিক্ষালাভ কৰিছিল। শিক্ষা সমাপ্ত হোৱাৰ অন্তত, বিদায়-কালত, গুৰুৱে সুমনক বেহা-বেপাৰত আৰু সুশান্তক বিদ্যাভ্যাসত মন দিবলৈ পৰামৰ্শ দিছিল।

ঘটনা—গুৰুৱে কোৱা মতেই ঘটিল। সুমনে বেহা-বেপাৰত লাখ লাখ টকা আৰ্জিলে, আৰু সুশান্তই শান্তিপূৰ্ণভাবে বিদ্যাভ্যাসতে জীৱন কটাবলৈ ধৰিলে।

সুমনৰ গুণগ্ৰাহীৰ অভাৱ নাই। বন্ধু-বান্ধৱ, আত্মীয়-স্বজন, চিনাকি-অচিনাকি সকলোটিয়েই সুমনৰ শলাগ লয়, ইমান কাম বয়সত কিমান যে ধনী হ'ল সেই কথা ইজনে সিজনক কয়, সুমনৰ সকলো-কথাতেই জয়জয় ময়ময়।

লোকৰ কথা শুনি শুনি সুমনৰ নিজৰো ধাৰণা হ'ল—সি কৰিব নোৱাৰা কাম নাই, ক'ব নোৱাৰা একো নাই। তাৰ ধাৰণা হ'ল—সি যি ইচ্ছা ক'ব-কৰিব পাৰে, যি মন যায় কৰিব পাৰে—আনকি লাগিলে টকাৰে মানুহো কিনিব পাৰে।

এদিন সুমনহঁতৰ ঘৰলৈ এজন সাধাৰণ সাধু-আহিল। সুমনে সাধুজনক বহিবলৈ ক'লে আৰু তাৰ পাছত যথেষ্ট আদৰ-সাদৰ কৰি ইটো-সিটো খুৱালে।

সাধুৱে সুমনক সুধিলে, "বোপা, কোৱা তোমাক কি লাগে।"

সুশান্তই হাঁহিলে আৰু ক'লে, "মোৰ সকলো আছে, নিজেই আৰ্জিলোঁ। বৰঞ্চ—আপোনাৰ যদি কিবা ইচ্ছা আছে—কওক, পূৰাম মই।"

সাধুৱে মিচিকীয়াই হাঁহি ক'লে,

চিত্ৰা গোহাঞিৰ

"সকলো আছে—এনে কথা ক'ব, বা ভাবিবও নাপায়। তুমি জীৱনত ঢেৰ কিবাকিবি আৰ্জিলা যে—মই বুজি পাইছোঁ। তথাপি—মোৰ ইচ্ছাৰ কথা সুধিছাই যেতিয়া, কওঁ,—মোৰ ইচ্ছা—তুমি কিঞ্চিত জ্ঞানাৰ্জন কৰাঁ।"

"জ্ঞান অৰ্জন—?" সুমনে সে সেকৈ হাঁহি হাঁহি ক'লে, "জ্ঞান বিনে ইমান কম বয়সতে লাখ-বিলাখ আৰ্জিলোঁ কেনেকৈ? মই যে জ্ঞানৰ খনি—সেই কথাত মোৰ তিলমানো সন্দেহ নাই।" সুমনে ক'লে।

"শুনা, জ্ঞানীয়ে নিজৰ জ্ঞানৰ কথা কদাপি নকয়, বেবেৰিবাং নবকে, এনেকৈ বেমটৰ নহয়।" সাধুৱে ক্ষুব্ধ কণ্ঠেৰে ক'লে।

সাধুৰ কথাত সুমন সেমসেমীয়া যেন হৈ পৰিল। সুমনে কিঞ্চিত ইতিকিঙৰ সুৰেৰে সাধুক ক'লে, "বেমটৰ হওক-নহওক— বেবেৰিবাং—চবেই কম-বেছি বকে। বেবেৰিবাং বকাত জ্ঞানী-অজ্ঞানীৰ কথা নাই।"

"তেনেহ'লে বিৰামপুৰলৈ গৈ চোৱা। তাত সুশান্ত নামৰ জ্ঞানী পুৰুষ এগৰাকী আছে। তেওঁৰপৰা জ্ঞান আৰ্জাগৈ।" এই বুলি কৈয়েই সাধু তাৰপৰা গুচি গ'ল।

সুশান্তৰ নামটো শুনিয়েই সুমনৰ কেনেবা কেনেবা লাগি গ'ল। আৰু—



বিৰামপুৰত সুশান্ত কেইজন ওলাব? গতিকে—তাৰ সেই সহপাঠীৰ কথাহে সাধুৱে ক'লে যেন পালে সুমনে।

পাছদিনাই সুমন বিৰামপুৰলৈ বুলি ওলাল। ওলাল, কিন্তু অকলশৰে নহয়, তাৰ বৰলোকালি পদে-প্ৰমাণে দেখুৱাবলৈ চাকৰ-চাকৰণীৰে সৈতে, আৰু দোলাত।

বিৰামপুৰ বিৰাট গাঁও। সুমনে বিৰামপুৰৰ বাটত কেইজনকো সুশান্তৰ কথা সুধিলে; কিন্তু, কোনেও সুশান্তৰ কথা স্পষ্টকৈ একো ক'ব নোৱাৰিলে।

তাৰ পাছত সুশান্তৰ শিষ্য এজনক সুমনে লগ পাই গ'ল আৰু সেই শিষ্যজনে



যথোচিতভাৱে আদৰিলে।

পাছত সুমনে সুশান্তৰ শিষ্য চৰিজনক সুধিলে যে সিহঁতৰ গুৰুৰ—অৰ্থাৎ সুশান্তৰ আৰ্থিক অৱস্থা কেনে। শিষ্যহঁতৰ মাজত এজনে ক'লে, "আমি তেওঁৰ ওচৰত অধ্যয়ন কৰিবলৈ আহিছোঁ আৰু তেওঁ আমাক তেওঁৰ ঘৰতে ৰাখি খুৱাই বুৱাই শিক্ষাদান কৰিছে। তেওঁৰ আৰ্থিক অৱস্থাৰ বিচাৰ-খোচাৰত আমাৰ কোনো আৱশ্যক নাই। আমি যে এনেহেন গুৰু এগৰাকীক পাইছোঁ, তাৰেই আমি আমাৰ ভাগ্য সুপ্ৰসন্ন বুলি ভাবিছোঁ।"

পাছদিনা সুশান্তই, ঘৰ পালেহি। ইমান দিনৰ পাছত সহপাঠী সুমনক পাই, আৰু সুমন যে মহাধনী হ'ল, সেই কথা শুনি সুশান্তই ভালেই পালে।

সুমনে ক'লে, "কিন্তু— তুমি যথেষ্ট সম্পদৱান নোহোৱালৈকে মই তুষ্ট হ'ব পৰা নাই। এয়ানো কি জীৱন যাপিছা? এই জীৱন আৰু মগনিয়াৰৰ জীৱনত পাৰ্থক্যনো কি? এই ঘৰটোক—ঘৰ বুলিব পাৰিনে? তোমাৰ পৰিবাৰজনী বাস্তৱিকেই শিষ্ট, কিন্তু নিশ্চয় তেওঁও তোমাৰ ওপৰত বিতুষ্ট, কিয়নো—তেওঁত গাত, আনকি এপদ গহনাও নাই। ইপিনে—শিষ্য চাৰিজনক খুৱাই-বুৱাই ঘৰতে ৰাখিছা।

সুমনক সুশান্তৰ ঘৰলৈ লৈ গ'ল।

সুশান্তৰ ঘৰটো চাফ-চিকুণ হয়, কিন্তু —সেইটো ঘৰক ঘৰ বুবুলি এটা জুপুৰি বুলিলেহে শুৱাব; যদিও সুমনে সুশান্তৰ জুপুৰিঘৰটো চাই ভালেই পালে। সুমনে ভাবিলে: মোৰ আগত এই ক'ৰবাৰ কোনোবা সুশান্ত সবাহৰ কলতকৈ অধিক কিবা নিশ্চয় নহয়।

তেতিয়া সুশান্ত ঘৰত নাছিল, জমিদাৰে মতাই নিছিল পণ্ডিত-সম্মিলনত যোগ দিবলৈ। সুশান্তৰ ঘৰত তেওঁৰ চাৰিজন শিষ্য বহিআছিল। আৰু আছিল সুশান্তৰ পত্নী সুৱৰ্ণ। সুশান্ত-পত্নী সুৱৰ্ণই সুমনক

তুমি বাস্তৱিকতে জ্ঞানীনে মূৰ্খ—মই ঠাৱৰ কৰিব পৰা নাই। নালাগে এই গুৰুগিৰি, ব'লা মোৰ লগত, তোমাক কৰি দিম এজন ডাঙৰ বেপাৰী।" সুমনে সুশান্তৰ প্ৰতি সহানুভূতিৰে নহয়, ওফাইডং মাৰিহে ক'লে, তাৰ ক্ষমতাৰ প্ৰমাণ দিবলৈ।

সুশান্তই শান্তকণ্ঠেৰে ক'লে, "গাঁও এৰি চহৰলৈ যদি বেপাৰী হ'বলৈ যাব লাগে—ইয়াত মোৰ যিখিনি কৰ্জা আছে—পৰিশোধ কৰি যাব লাগিব।"

সুশান্তই তাৰ পাওনাদাৰ কেইজনক মতাই অনলে। সৰ্বমুঠ পাঁচজন পাওনাদাৰ। এজন আছিল সুতৰ কাৰবাৰী, এজন গেলামলৰ দোকানী, এজন মিস্ত্ৰী, আৰু আন এজন তালপাত বেচোঁতা। আৰু—পঞ্চমজন আছিল এজন গাড়ীৱলা মানুহ। সুশান্তই সৰ্বমুঠ চাৰিহেজাৰ টকা পৰিশোধ কৰিব লাগিব।

"ঠিক আছে—" সুমনে কৈ উঠিল, আপোনালোক এতিয়া যাওকগৈ, মই সুশান্তৰ কৰ্জাখিনি সময়মতে পৰিশোধ কৰিদিম।"

তেতিয়া পাওনাদাৰহঁতে সুমনক ক'লে, "নালাগে আপুনি দিব। তেওঁক লাগিলে—আমি আৰু টকা কৰ্জা দিব পাৰোঁ।"

সুমনেকিবা নৌক'বলৈ পাওঁতেই সুশান্তই তেওঁৰ পাওনাদাৰহঁতক কৈ উঠিল, "জানো মই……আপোনালোকে যে মোক মৰম



কৰে—জানো। মই মোৰ বন্ধু সুমনক পৰীক্ষা কৰি আছিলোঁ যে তেওঁ মোৰ কাৰণে কিমান পানীত নামিব পাৰে।— আপোনালোকৰ পাওনা ময়েই পৰিশোধ কৰিম, নিঃচিন্ত হৈ থাকক।"

সুমনে আচৰিত মানি ক'লে, "তুমি —মোক—পৰীক্ষা কৰিছিলা!— কিয় ?"

"কিয়—কিয় ? তুমি প্ৰথমবাৰৰ বাবে মোৰ ঘৰলৈ আহিলা—তোমাৰ যদি কিবা ইচ্ছা হয়, সেই ইচ্ছা পূৰণ কৰাটো মোৰ ধৰ্ম —নহয় জানো ?" সুশান্তই সুধিলে।

"তুমি—মোৰ ইচ্ছা পূৰাবা! ভাবি-চিন্তি কৈছানে কথাটো ?" সুমনে সুশান্তক যেনিবা শলঠেকত পেলাবলৈ এই কথাটো সুধিলে।

সুশান্তই ক'লে, "নাভাবি নকৰোঁ কাম।"

সাধুৰ কথা মনত পৰিল সুমনৰ। ভাবিলে : মোৰ ইচ্ছা পূৰাব এই দুখীয়া সুশান্তই ? সাধুৱে কৈছিল যে জ্ঞানীয়ে বেবেৰিবাং নবকে। সুশান্তই বাৰু বোবে-ৰিবাং বকলা নাইনে ?

সুমনে সুশান্তক ক'লে, "মোক দুই-লাখ মুদ্ৰা লাগে। দুই লাখ টকা কৰ্জা হিচাপে দিয়া। মোৰ ইচ্ছা পূৰণ কৰা।" সুমনে সুশান্তক শলঠেকতে পেলালে।

সুমনৰ ইচ্ছা'ৰ কথাত তাত থকা মানুহখিনি ভেবা লাগিল। কিন্তু সুশান্ত অলপো বিচলিত নহ'ল। সুশান্তই সুমনক ক'লে, "তোমাৰ লগত ব্যক্তিগত-ভাবে কথা পাতিম। ভিতৰলৈ আহা।"

সুশান্তক সুমনে ক'লে, "তুমি সকলোটিৰ আগত মোৰ বন্ধুতাৰ পৰীক্ষা লৈছিলা। আৰু — জ্ঞানীবোৰে হেনো বেবেৰিবাং নবকে। গতিকে—যি ক'বা সকলোটিৰ আগতে কোৱা।"

সুশান্তই সুমনক বহু ধৰণে বুজাবলৈ চেষ্টা কৰিলে সেই ব্যক্তিগত কথা সকলোটিৰ আগত ক'ব নাপায়। কিন্তু

সুমন হ'ল জাগি থাকি টোপনিত পৰা, তাক জগাব কেনেকৈ ?

সুশান্তৰ শিষ্য চাৰিজনৰ মাজত এজনে সুশান্তক ক'লে, "গুৰুজী, আপোনাৰ জ্ঞানদানতকৈ আৰু অধিক মূল্যৱান আমাৰ বাবে আন একোৱেই নাই। আপোনাৰ বন্ধুৱে খোজা মুদ্ৰাখিনি আমি আনি দিওঁনে ?"

সুমনে ক'লে, "কি কোৱা ! খাবলৈ পিন্ধিবলৈকো নাই, তুইলাখ ক'ত পাবা ?"

সুশান্তই হাঁহি হাঁহি ক'লে, "এওঁলোকক — ভিখাৰী জ্ঞা না র্থী বুলি নাভাবিবা। এওঁলোক ক্ৰোড়পতিৰ পুত্ৰ। এওঁলোকে মোক যিবোৰ উপহাৰ দিলে, দুই-চাৰি-দহলাখ মুদ্ৰা ময়ো সহজেই দিব পাৰিম। মই সকলোটিৰ আগত তোমাক হাঁহিয়াতৰ পাত্ৰ কৰিবলৈ নিবিচাৰিছিলোঁ, কিন্তু তোমাৰ মূৰ্খতায়েই তোমাক হাঁহিয়াতৰ পাত্ৰ কৰি তুলিলে।" এই বুলি কৈ, ঘৰৰ ভিতৰলৈ গৈ, সুশান্তই হীৰাৰ হাৰ এধাৰ লৈ আহিল আৰু সুমনক দিলে। এই হাৰৰ মূল্য কমেও পাঁচলাখ মুদ্ৰা।

তেতিয়াহে সুমনৰ মাজত কিঞ্চিত জ্ঞানোদয় হ'ল। সুমনে তলমূৰ হৈ ক'লে, "সুশান্ত, জ্ঞানীইঁতেও বেৰেৰিবাং বকে—এই কথা মই প্ৰমাণ কৰিবলৈ তোমাৰ ওচৰলৈ আহিছিলোঁ। এতিয়া জানিলোঁ—জ্ঞানীৰ জ্ঞানেই জ্ঞানীৰ ধন। জ্ঞানীৰ জীৱন—আড়ম্বৰহীন জীৱন—এই কথা জীৱনত আজিহে জানিলোঁ। মোক ক্ষমা কৰা, আৰু কিঞ্চিত জ্ঞান দিয়া। আজি জানিলোঁ—ধনে নহয়—জ্ঞানেহে জীৱনক মধুৰ কৰি তোলে। তোমাক ক্ষুদ্ৰ কৰিবলৈ আহি মই নিজেই ক্ষুদ্ৰ হ'লোঁ। মোক ক্ষমা কৰা, আৰু জ্ঞান ভিক্ষা দিয়া।"

তেতিয়া সুশান্তই সুমনক উপনিষদৰ সাৰ কথা বুজাই ক'লে আৰু তাক সৰ্ব অহংকাৰ ত্যজিবলৈ পৰামৰ্শ দিলে।

চোলা চাই জেপ

জ্যালুকপুৰ গাঁৱত জৈমিনী নামৰ এগৰাকী ধনী তিৰোতা আছিল। জৈমিনীৰ কিপিণালিৰ কথা নজনা দহোখন গাঁৱত কোনো নোলাব। কিন্তু জৈমিনীৰ কথা হ'ল, তেওঁ কিপিণ-কৰাইচ একো নহয়, তেওঁ চোলা চাই জেপ বনায়, বুজি-বাজি খৰচ কৰে।

জৈমিনী বাঁৰী তিৰোতা, একমাত্ৰ পো-টিৰ বিয়া পাতিবৰ হ'ল, আৰু তেওঁ বোৱাৰী বিচাৰি থকা হ'ল।

জৈমিনীৰ কথা হ'ল: বোৱাৰী ল'ব কিন্তু ভালকৈ চাই-চিঁতি ল'ব; পাছত ঘৰ লৰক-ফৰক হ'ব পৰা কোনোবাজনীক নানিব। কিন্তু জৈমিনীয়ে বহুধৰণে চেষ্টা কৰিও মনৰ মতন বোৱাৰী নাপাই দমি গ'ল আৰু পো-ৰ দুৰ্কপালৰ কথাত পমি গ'ল।

তাৰ পাছত হঠাৎ এদিন মনত পৰিল চুবুৰীয়া গাঁৱৰ ৰামনীৰ ছোৱালীজনীৰ কথা। ৰামনীৰ ছোৱালী ৰুক্মিণীজনী দেখাই-মেলায়ো ভাল, কামে-বনেও হেনো বয়া নহয়।

জৈমিনী গ'ল ৰামনী ঘৰলৈ। ইকথা-সিকথাৰ পাছত ৰুক্মিণীক তেওঁ ক'লে, "থাই-বৈ আজৰি হৈ লোৱাচোন আই, তোমাক সুধিবলীয়া কথা কেটামান আছে।"

"এ—আজি আমাৰ খোৱা-লোৱা নহ'বই নহয়— ?" ৰুক্মিণীয়ে ৰাগ টানিলে।

জৈমিনীয়ে আচৰিত মানি সুধিলে, "কিয় ?"

"আপুনি অহাৰ আগতে আন এজন আলহী আহিছিল, ঢেৰ খৰচ হৈ গ'ল, গতিকে—আলহীৰ মাছুলৰ পইচা উচুল কৰিবলৈ আমাৰ খোৱা-লোৱা আজি বন্ধ।"

ৰুক্মিণীৰ কথা শুনি জৈমিনীয়ে তৎমুহূৰ্ততেই তাইক বোৱাৰী কৰাৰ কথা দিলে।





৮

[আগৰ কথা : গ্ৰিকসকলে দহ বছৰ ধৰি ট্ৰয়-নগৰী অৱৰোধ কৰি ৰাখিছিল আৰু এই দহ বছৰত উভয় পক্ষৰ অগণন বীৰৰ মৃত্যু হৈছিল। আৰু এইবোৰ ৰক্তক্ষয়ৰ মূল কাৰণ 'আছিল সেই অতুল সুন্দৰী। ট্ৰোজান বীৰসকলৰ মাজত বীৰসিংগা আৰু মোহন আছিল অগ্ৰগণ্য। কিন্তু ইতিমধ্যে দুয়োজনেই মৰিল। মোহনৰ মৃত্যুৰ অন্তত অৰিভয়ংকৰে জোৰ কৰি অতুল সুন্দৰীক বিবাহ কৰালে। আৰু তাৰ ফলত···]

ট্ৰয়ৰাজ মৰ্দনৰ পুত্ৰহঁতৰ মাজত অন্তঃ-কলহই মূৰ দাঙিলে। আৰু এই পৰিস্থিতিক চম্ভালিবলৈ মহাৰাজ মৰ্দনে গ্ৰিকসকলৰ সৈতে সন্ধি কৰাৰ দিহা কৰিলে। আন কোনো উপায়ো নাছিল, কিয়নো—ক'বলৈ গ'লে একে একে ট্ৰয়ৰ সকলো অগ্ৰগণ্য বীৰেই মৰিল। যি-ও-বা আছে, তেওঁলোক অন্তঃকলহৰে জৰ্জৰিত হৈ আছে, শত্ৰুৰ বিৰুদ্ধে যুঁজ দিয়াৰ উৎসাহ তেওঁলোকৰ মাজত নাই।

গতিকে—তেওঁ তেওঁৰ খুলাশালীয়েক প্ৰত্যাম্নায়ক ৰাৰাজাৰ ওচৰলৈ পঠালে।

প্ৰত্যাম্নায়ে কেৱল সন্ধিৰ কথাতে কথাৰ অন্ত নেপেলালে, ৰূপধৰৰ সৈতে মিলি এক ষড়্‌যন্ত্ৰ পাঙিলে। এই ষড়যন্ত্ৰ মতে ট্ৰয়ৰ সিংহাসন আৰু ট্ৰয় ৰাজ্যৰ



অৰ্দ্ধাংশ প্ৰত্যাম্নাই পাব, আৰু ট্ৰয় নগৰ আৰু ৰাজ্যৰ অন্য অৰ্দ্ধাংশ ল'ব ৰূপধৰে। এই আঁচনিত প্ৰশংসানেও সহায়তা কৰিব বুলি প্ৰত্যাম্নায়ে ৰূপধৰক কথা দিলে।

ইতিহাসত বহু ৰাজ্যৰ পতনৰ হেতু আছিল অন্তঃকলহ। কোনেও সামান্যতম স্বাৰ্থ নেৰিব, ন্যায়লৈ নাভাবি স্বাৰ্থলৈহে ভাবিব, তাৰ ফলত শত্ৰুৰ কাম সহজহ'ব।

ট্ৰয় নগৰত এনেকুৱা ব্যক্তিও কিছুমান আছিল, যিসকলে গ্ৰিকসকলক সহায় কৰিবলৈ সদায় সক্ষম হৈ আছিল আৰু ট্ৰয়ৰ পতনৰ বাবে শত্ৰুৰ সৈতেহে হাত উজান দিছিল, শত্ৰুৰ নগৰলৈ প্ৰবেশহে কেৱল বাকী আছিল।

আৰু ইপিনে— গ্ৰিকসকলে এটা বিৰাট কাঠৰ ঘোঁৰা নিৰ্মাণ কৰি আছিল। এই বিৰাট কাঠৰ ঘোঁৰা নিৰ্মাণৰ ঘাই শিল্পী আছিল দোৰ্ঘড় নামৰ কুশলী গ্ৰিক এজন। এওঁ বিৰাট কাঠৰ ঘোঁৰা এটা নিৰ্মাণ কৰিলে আৰু সেই কাঠনিৰ্মিত ঘোঁৰাটোৰ পেটৰ ভিতৰ সোমাব-ওলাব পৰাকৈ এনেকুৱা গুপ্ত দুৱাৰ বনালে, যি গুপ্ত দুৱাৰৰ অস্তিত্ব বাহিৰৰপৰা ঠাহৰ কৰা প্ৰায় অসম্ভৱ।

গ্ৰিক বীৰসকলৰ মাজত থকা দুঃসাহসী সকলক এই কাঠৰ ঘোঁৰাৰ পেটত থাকি অকস্মাৎ যুদ্ধৰ বাবে সাজু হৈ থাকিবলৈ ৰূপধৰে সন্মত কৰিলে। প্ৰায় ত্ৰিছজন দুঃসাহসী গ্ৰিক বীৰ এই কাঠৰ ঘোঁৰাৰ পেটত সোমাল আৰু সোমাই দুৱাৰ বন্ধ কৰি দিলে। তেওঁলোকৰ সৈতে ঘোঁৰা-নিৰ্মাতা দোৰ্ঘড়ও অন্যতম।

তাৰ পাছত, ৰূপধৰৰ আঁচনি অনুসাৰে, সেই দিনা ৰাতিৰ পৰতে গ্ৰিক শিবিৰত জুই লগাই দিয়া হ'ল আৰু কাঠৰ ঘোঁৰাৰ পেটৰ ভিতৰ থকা গ্ৰিক বীৰখিনিৰ বাহিৰে বাদবাকী গ্ৰিক সৈন্যইত জাহাজত উঠি ট্ৰয়ৰ উপকুল এৰি গুচি গ'ল। কিন্তু মাত্ৰ এজন গ্ৰিক বীৰ কাঠৰ ঘোঁৰাটোক পৰ দি

ৰৈ থাকিল ; এই গ্ৰিক বীৰ আছিল ৰূপধৰৰ পুত্ৰ চৌৰ্য্যনাথ। গ্ৰিক জাহাজ-বোৰ আকৌ কেতিয়া ট্ৰয়লৈ উভতি আহিব লাগিব, জোঁৰ জ্বলাই চৌৰ্য্যনাথে সংকেতৰে ইয়াৰপৰা জনাব।

ৰাতি পুৱাল, আৰু ট্ৰয়ৰ গুপ্তচৰহঁতৰপৰা সম্বাদ পাই দলে দলে ট্ৰোজানহঁত সাগৰতটলৈ বুলি ঢপলিয়াই আহি থাকিল। আনকি, বিৰাট কাঠৰ ঘোঁৰাৰ আচৰিত কথা শুনি মহাৰাজ মৰ্দনো নহাকৈ নাথাকিল।

এজন ট্ৰোজানে ক'লে, "এই কাঠৰ ঘোঁৰা—দৰাচলতে আমালৈ আমাৰ দেৱী বুদ্ধিমতীৰ উপহাৰ। এই কাষ্ঠাশ্বক দেৱী-মূৰ্তিৰ মন্দিৰৰ আগত এতিয়াই স্থাপন কৰিব লাগে।"

আন এজনে ক'লে, "আমাৰ বুদ্ধি-দেৱীয়ে আমাৰ শত্ৰুকহে অধিককৈ সহায় কৰিলে, শত্ৰুহঁত নিৰ্বিঘিনিৰে পলাই সাৰিল। আমি এই কাঠৰ ঘোঁৰাত জুই লগোৱা উচিত হ'ব। নহ'লেও—এইটো ভাঙি চোৱা হওক—এইটোৰ ৰহস্য কি।"

মহাৰাজ মৰ্দনে এই প্ৰস্তৱ খণ্ডন কৰিলে। তেওঁ ক'লে, "দেৱী-সমৰ্পিত উপহাৰ নাশ কৰিলে আমাৰহে বিনাশ হ'ব। আৰু—দেৱীয়ে শত্ৰুপক্ষক সহায় কৰিছে বুলি কোৱাটোও ঠিক নহ'ব ; দেৱীয়ে শত্ৰুক ইয়াৰপৰা খেদিলে বুলিহে

CHITRA



ক'ব লাগিব। গতিকে—দেৱী-প্ৰদত্ত এই অনুগ্ৰহ, এই কাঠৰ ঘোঁৰাটো আমি আমাৰ নগৰৰ অভ্যন্তৰলৈ লৈ যাম।"

মহাৰাজ মৰ্দনৰ আজ্ঞাৰে সেই বৃহৎ কাঠৰ ঘোঁৰাটোক নগৰদ্বাৰলৈ লৈ যোৱা হ'ল আৰু ইমান বিৰাটাকাৰ ঘোঁৰাটো নগৰৰ প্ৰধান দ্বাৰৰ মাজেদিও নোসোমোৱাত প্ৰধান দ্বাৰৰ একাষৰ দেৱাল ভাঙি ঘোঁৰাটোক সুমুউৱা হ'ল।

তাৰ পাছত এই বৃহদাকাৰ কাঠৰ ঘোঁৰাটোৰ কথাত তৰ্ক-বিতৰ্ক লাগি পৰিল। মহাৰাজ মৰ্দনৰ পুত্ৰী জালিনী আছিল দিব্যদৃষ্টিসম্পন্না। জালিনীয়ে চিঞৰি কৈ উঠিল, "এই ঘোঁৰাটোৰ পেটত শত্ৰু আছে!"

প্ৰত্যাম্নায়ে জালিনীক সমৰ্থন কৰিলে আৰু নিজৰ শূলপাট কাঠৰ ঘোঁৰাটোৰ পেটলৈ টোৱাই দলিয়ালে। ঠিক তেতিয়াই ঘোঁৰাটোৰ পেটৰপৰা অস্ত্ৰৰ জনৎকাৰৰ দৰে শব্দ উঠিছিল, কিন্তু ট্ৰোজানহঁতৰ চিঞৰ-বাখৰৰ শব্দত সেই জনৎকাৰৰ শব্দ ডুব গ'ল।

আৰু ঠিক তেতিয়াই ট্ৰয় সৈনিক কিছুমানে এজন গ্ৰিক বীৰক বন্দী কৰি সেই ঠাইলৈ লৈ আহিল। এই গ্ৰিক বীৰজন আছিল চৌৰ্য্যনাথ।

চৌৰ্য্যনাথে ট্ৰোজানহঁতৰ প্ৰশ্নৰ উত্তৰত এইবোৰ কথা ক'লে:

"প্ৰবোধৰ হত্যা-ৰহস্য মই জানো। ৰূপধৰ মোৰ ওপৰত ক্ষুব্ধ, কিয়নো মই তেওঁৰ ৰহস্য জানো। গ্ৰিকসকলক যুদ্ধই আমুৰাইছে, তেওঁলোকৰ মাজত যুদ্ধ কৰাৰ ইচ্ছা লুপ্ত হৈছে। ৰূপধৰে জ্যোতিষী কাংশুকক ঘোচ খুৱাই মোক বন্দী কৰাৰ বাবে ভবিষ্যদ্বাণী কৰোৱালে আৰু গ্ৰিক-বাহিনীক ট্ৰয় জয়ৰ আশা এৰি উভতি যাবলৈ ক'লে। মোক সিহঁতে দেৱীৰ নামত বলি দিলেহেঁতেন, কিন্তু ট্ৰয় এৰি গুচি যোৱাৰ খৰখেদাত কিজানি মোক

বলি দিয়াৰ কথা পাহৰি থাকিল।"

মহাৰাজ মৰ্দনে চৌৰ্য্যনাথৰ চতুৰ কথাত পতিয়ন গ'ল আৰু সুধিলে, "পিছে —এই কাঠৰ ঘোঁৰাটোৰ কথা—তুমি কি জানা ক'বানে?"

"এই কথা ঠিক যে—বুদ্ধিমতী দেৱী তেতিয়া আমাৰ অনুকূল আছিল। কিন্তু ৰূপধৰ আৰু দেৱময়ে বুদ্ধিদেৱীৰ মূৰ্তি চুৰ কৰি অনাত দেৱী ক্ৰুদ্ধা হৈছিল। তেতিয়াই গ্ৰিকইঁতে নিজ ৰাজ্যলৈ উভতি যোৱাৰ দিহা লৈছিল, আৰু তাৰ বাবে বুদ্ধিমতীদেৱীলৈ এই কাষ্ঠাশ্বৰূপী উপহাৰ আগবঢ়াইছিল। কাংশুক জ্যোতিষীয়ে ৰাৰাজাক পৰামৰ্শ দিছিল যে—এতিয়াই —সময় নষ্ট নকৰি এতিয়াই ট্ৰয়ৰ সমুদ্ৰ-তট এৰি গুচি যাব লাগে, আৰু পাছত শুভদিন-শুভক্ষণ চাই পুনৰ যুদ্ধলৈ সাজু হৈ উভতি আহিব লাগে।

মহাৰাজ মৰ্দনে পুনৰ সুধিলে, "ইমান ডাঙৰ ঘোঁৰা এটা সাজিলে কিয়?"

"আপুনি যাতে ইমান ডাঙৰ ঘোঁৰাটো নগৰলৈ লৈ যাব নোৱাৰে, তাৰ বাবে ঘোঁৰাটোক ইমান বিৰাট আকাৰত সাজি উলিয়াইছিল। তেওঁলোকৰ ধাৰণা আছিল যে—আপুনি যদি এই বিৰাট কাঠৰ ঘোঁৰাটোৰ কথাতে মত্ত হৈ থাকে, তেতিয়া বুদ্ধিমতী দেৱী আপোনাৰ ওপৰত ক্ৰুদ্ধা হ'ব আৰু আপোনালৈ তথা

আপোনাৰ ৰাজ্যলৈ অভিশাপ দিব কিন্তু তেওঁলোকৰ হিচাপ নিমিলিল। আপুনি এই বিৰাট ঘোঁৰাটো নগৰলৈ লৈ আহিল আৰু যথোচিতভাবে দেৱী-মন্দিৰৰ আগত থৈ দিয়া হ'ল। এতিয়া আপোনাৰ পৰাজয়ৰ আৰু প্ৰশ্ন নুঠে। বৰঞ্চ, আপোনাৰ সাম্ৰাজ্য চাৰিওফালে পৰিব্যাপ্ত হ'ব। গ্ৰিকসকলে আপোনাৰ সমৃদ্ধি কানন কৰাৰ পৰিৱৰ্তে যে সৰ্বনাশ কামনা কৰিব —সেই কথা দেখা কথা। কিন্তু কাঠৰ ঘোঁৰাৰে সিহঁতে আপোনাক বিভ্ৰান্ত কৰিব নোৱাৰিলে।" চৌৰ্য্যনাথে চাং পতা কথাৰে মহাৰাজৰ মন মুহিলে।

"এইবোৰ ধুমুৰ মিছা, মহাৰাজ! এইবোৰ আটাইবোৰেই ৰূপধৰৰ ষড়যন্ত্ৰ। এই সত্যনাৰায়ণৰ ভতিজাকৰ কথাত পতিয়ন গৈ নিজৰ ভৰিত নিজেই কুঠাৰ নামাৰিবা, হে মহাৰাজ!" তীক্ষ্ণদৃষ্টি নামৰ দিব্যদৃষ্টি থকা ট্ৰোজান এজনে চিঞৰি চিঞৰি ক'লে, "মই এতিয়াই আমাৰ ইষ্টদেৱতা কবুলিচিৰ কাষ চাঁপিম আৰু ঘোঁৰাটোক কি কৰিম সুধিমগৈ।"

কিন্তু তীক্ষ্ণদৃষ্টিয়ে সেই সুযোগ নাপালে, ট্ৰয় নগৰীকো ৰক্ষা কৰিব নোৱাৰিলে। কিয়নো—তীক্ষ্ণদৃষ্টিৰ দৃষ্টি এৰাই এক মহাসৰ্পই তাক খুটি মাৰিলে। ভাগ্য গ্ৰিকসকলৰ অনুকূল হ'ল আৰু চতুৰ চৌৰ্যানাথৰ মিছাকথাতে মহাৰাজ মৰ্দন তথা ট্ৰোজানহঁতো বাকৈ ভোল গ'ল। মহাৰাজ মৰ্দনে ভাবিলে যে যিটো তীক্ষ্ণদৃষ্টিয়ে দেৱী বুদ্ধিমতীলৈ প্ৰদত্ত উপহাৰ ঘোঁৰালৈ টোঁৱাই শূল দলিয়াইছিল, সেই দেৱীয়েই তীক্ষ্ণদৃষ্টিক মাৰি পেলালে। মহাৰাজৰ নিৰ্দেশত ট্ৰোজানহঁতে দেৱী-বুদ্ধিমতীৰ আৰাধনা কৰিবলৈ ধৰিলে।

আৰু ইতিমধ্যে এছেগত নিজৰ সৈন্য-বাহিনীৰে সৈতে বীৰ প্ৰশংসন এড়া পৰ্বতলৈ বুলি ৰাওনা কৰিলে। [আগলৈ

চান্দমামা-সম্বাদ

মহাসাগৰ আটলাণ্টিকৰ ইপাৰ-সিপাৰ

সাগৰ-উপসাগৰৰ অ'ত ত'ত পাৰ হোৱাটো যে সাধাৰণ কথা, সম্ভৱতে তামিলনাড়ুৰ কিছুমান লৰা-ছোৱালীয়ে প্ৰমাণ কৰি দেখুৱালে। এইবাৰ জি. ডিলোজ নামৰ ফৰাচি মানুহ এজনে অকলেই আটলাণ্টিক মহাসাগৰ পাৰ হোৱাৰ প্ৰতিজ্ঞা লৈ প্ৰথমে আফ্ৰিকাৰ কেপ ভেৰ্দে নামৰ অন্তৰীপৰ-পৰা মহাসাগৰৰ বুকুত নামিলে আৰু সাঁতুৰি সাঁতুৰি দুমাহৰ অন্তত ৩৮৬০ কিল'মিটাৰ পাৰ হৈ বাৰ্বাডোজৰ ব্ৰিজটাউন পালেগৈ। তেওঁ ৪ মিটাৰ দীঘল ভুৰ এটাত ৰাতিৰ পৰতে টোপনিয়াইছিল। তেওঁৰ ৭-বছৰীয়া ল'ৰা টমাছ আৰু ৫ বছৰীয়া ক্লেমেন্তে মাক ক্যাথেৰিনাৰে সৈতে ব্ৰিজটাউনলৈ গৈ দেউতাকলৈ অভিনন্দন জ্ঞাপন কৰিছিল। অভিনন্দনৰ উত্তৰত তেওঁ কৈছিল, মই আৰু কদাপিও কৰ্মত নাই!"

চকু কিনিব যদি···

আজি-কালি মূত্ৰগ্ৰন্থি (কিডনি) দান, অন্যান্য অংগদান আদিৰ কথা চবেই জানে। নেত্ৰদানৰ কথাও আজিৰ দিনত ভাতৰ লগৰ পানী। কিন্তু কিডনিৰ দৰে চকু বেচা নযায়,

যদিও যি চকুযুৰি কিনিব নে কি বুলি কোৱা হৈছে, সেই চকুযুৰি আইনস্টাইনৰ চকু। আৰু এই চকুযুৰি যেই সেই মূল্যত কিনাৰ বাবে বহুসংখ্যক ব্যক্তিয়ে আগ্ৰহ প্ৰকাশ কৰিছে। সুপ্ৰসিদ্ধ গায়ক মাইকল্ জ্যাকছনো এই মহান বিজ্ঞানীৰ চকুযুৰিৰ এগৰাকী ক্ৰেতা। ১৯৫৫ চনত আইনস্টাইনৰ মৃত্যু হ'ল আৰু তাৰ পাছত তেওঁৰ দেহৰ অট'পছি হ'ল। থামছ হাৰ্ভে নামৰ তেতিয়াৰ দিনৰ এগৰাকী বিখ্যাত শল্যবিদ তথা বিজ্ঞানীয়ে এই অট'পছি কৰিছিল। আইনস্টাইনৰ মগজু এতিয়াও তেওঁৰ ওচৰত আছে বুলি বাতৰিত জনা গৈছে। কিন্তু তেওঁ কৈছে যে—আইনস্টইনৰ চকুযুৰি তেওঁৰ দেহৰ-পৰা কেতিয়াও বিচ্ছিন্ন কৰা হোৱা নাই। এই বিতৰ্ক এতিয়াও চলি আছে!

বুঢ়ীতকৈও বুঢ়ী···

গিনেছ বুক অব ৰেকৰ্ডছত পৃথিৱীৰ সৰাতোকৈ

বুঢ়ী হ'ল ফ্ৰান্সৰ জাঁ লুছিয়ে কামেন্ত। সম্ভৱতে তেওঁৰ ১২১ তম জন্ম-দিবস পালিত হৈছে। কিন্তু ব্ৰাজিলৰ কী জেৰিনামৰ ৪ ফুটীয়া বুঢ়ী এগৰাকী হেনো জাঁ লুছিয়ে কামেন্ততকৈ বয়সত ডাঙৰ, যদিও তেওঁৰ হাতত গিনেছ কৰ্তৃপক্ষক তুষ্ট কৰিব পৰা প্ৰমাণপত্ৰ বোলা বিশেষ একো নাই। পিছে—১৮৭১ চনৰ ১১ মাৰ্চৰ দিনা—তেওঁৰ সোতৰ দিন বয়সৰ কালত এক গিৰ্জাত তেওঁৰ নামকৰণ হৈছিল—এই প্ৰমাণ অদ্যাপি সই গিৰ্জাত আছে।

এই প্ৰমাণপত্ৰ—চৰকাৰী নহয়, অনা-চৰকাৰী, কিন্তু এই প্ৰমাণও নিশ্চয় দলিয়াই পেলাবপৰা বিধৰ নহয়। সেইহে এতিয়া চাবলগীয়া—গিনেছ বুক অব ৰেকৰ্ডছৰ কৰ্তৃপক্ষই তেওঁলোকৰ এই বিষয়ক অৰ্থাৎ কী জেৰি-ৰ বয়স জাঁ লুছিতকৈ ডাঙৰ, এই ৰেকৰ্ডৰ সাল-সলনি কৰেনে নকৰে!

তিনি ত্যাগীৰ কাহিনী

“হে ৰাজন্! তোমাৰ তুলনা তুমিয়েই। তুমি সুখৰ সাগৰত ডুবি থাকিব পাৰিলাহেঁতেন, কিন্তু সৰ্বসুখ তিয়াগি তুমি যে অকল্পনীয় ধৈৰ্য্যৰে প্ৰতিজ্ঞা পালন কৰিছা, সেই প্ৰতিজ্ঞা যে কি আৰু কিয়, তাকেহে আমি নাজানিলোঁ। কিন্তু তোমাৰ ভালৰ কাৰণেই কওঁ, ৰজা এগৰাকীয়ে ত্যাগৰ আদৰ্শ প্ৰদৰ্শন কৰা যদিও উত্তম কাৰ্য্য, তথাপি, সেই ত্যাগ সদৰ্থক হ'ব লাগে। অকাৰণ ত্যাগও মূল্যহীন। কিন্তু আনৰ মংগলৰ কাৰণে ত্যাগ তুলনাহীনভাবে অমূল্য। এই বিষয়ে শৰশ্চন্দ্ৰিকাপুৰ ৰাজ্যৰ এটি কাহিনী তোমাক কওঁ, শুনি শুনি বাট বুলিলে আন বিশেষ উপকাৰ নহ'লেও তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব আৰু তুমি আত্মত্যাগী ৰজাই নিজৰ বিষয়ে হয়তো সিদ্ধান্ত ল'ব পাৰিবা।” এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে :

‘বেতাল-কথা’

বহু বহু কালৰ আগৰ কথা। শৰশ্চন্দ্ৰিকাপুৰৰ ৰজা চন্দ্ৰমাধৱদেৱৰ অধীনত শিৰদত্ত নামৰ যুৱক এজনে গুপ্তচৰৰ কাম কৰিছিল। শিৰদত্তৰ ৰাজভক্তি আছিল প্ৰশ্নবিহীন। ৰজাই যি কাম কৰিবলৈ কৈছিল, আনকি প্ৰাণৰ বিনিময়তো সেই কাম কৰিছিল।

এবাৰ চুবুৰীয়া ৰাজ ময়মন্তপুৰৰ ৰজাই যেতিয়া শৰশ্চন্দ্ৰিকাপুৰলৈ আক্ৰমণ কৰাৰ আঁচনি কৰিলে, তেতিয়া মহাৰাজ চন্দ্ৰমাধৱে ময়মন্তপুৰৰ ৰজা প্ৰচণ্ডৰ যুদ্ধ-প্ৰস্তুতিৰ, সৈন্য সংখ্যা, অস্ত্ৰ-শস্ত্ৰাদিৰ তথা বাট-পথ ইত্যাদিৰ ৰেখ কৰিবলৈ তেওঁৰ অতি বিশ্বস্ত শিৰদত্তক তালৈ পঠালে।

এজন অতি সাধাৰণ নাগৰিকৰ বেশত গুপ্তচৰ শিৰদত্ত ময়মন্তপুৰলৈ গ'ল আৰু সকলো বিবৰণ সুনিপুণভাবে সংগ্ৰহ কৰি দ্ৰুততাৱে শৰশ্চন্দ্ৰিকাপুৰলৈ যাবলৈ এডৰা অটব্য অৰণ্যৰ মাজেদি গৈ থাকিল।

কিন্তু অকস্মাৎ শিৰদত্তৰ গতি স্তব্ধ হ'ল। সামান্য আঁতৰত এটা মূৰ্তিমান ৰাক্ষস! শিৰদত্ত ভীত আৰু স্তম্ভিত হ'ল। কিন্তু সি নিজক সংযত কৰিলে আৰু দৌৰি পলাই যাবলৈ যো-জা কৰিলে।

হঠাৎ ৰাক্ষসটোৱে চিঞৰি উঠিল, "ৰ'বা! ইমান সহজতে ৰাক্ষসৰপৰা ৰেহাই পোৱা নাযায়!"

শিৰদত্তই সাহস সঞ্চয় কৰিলে আৰু ৰাক্ষসটোক ক'লে, "হে ৰাক্ষসশ্ৰেষ্ঠ! দয়া কৰি মোৰ কথা শুনা। মোৰ নাম শিৰদত্ত, মহাৰাজ চন্দ্ৰমাধৱৰ গুপ্তচৰ। মই তেওঁৰ কামত ময়মন্তপুৰলৈ গৈছিলোঁ—এক বিশেষ সংবাদ সংগ্ৰহ কৰিবলৈ। এই সংবাদ মহাৰাজৰ পক্ষে অতি আৱশ্যকীয় আৰু জৰুৰী। তুমি দয়া কৰি মোক মহাৰাজৰ ওচৰলৈ যাবলৈ এৰি দিয়া, সংবাদটো মহাৰাজক দিয়েই মই পুনৰ তোমাৰ ওচৰলৈ আহিম, তেতিয়া মোক খাব পাৰিবা।"

ৰাক্ষসটোৱে হাঁহিলে আৰু ক'লে,

"এৰিলে ফিৰিবা যে—তাৰ নিশ্চয়তা কি? ঠিক আছে, সেই সংবাদটো মোকো কোৱা, তাৰ পাছত এৰা-নেৰা ভাবি চাম।"

শিৰদত্তই ক'লে, "সেই সংবাদ মহাৰাজৰ বাহিৰে কাকো ক'ব নোৱাৰি।"

কিন্তু ৰাক্ষসটোৱে সেই সংবাদ নুশুনালৈকে শিৰদত্তক নেৰিব।

তেতিয়া শিৰদত্তই ৰাক্ষসটোক ক'লে, "তোমাৰ যি মন যায় কৰিব পাৰা, কিন্তু ৰাজকীয় গুপ্ত সংবাদ--মই প্ৰাণ থাকেমানে আন কাকো নকওঁ।"

এই কথা শুনি ৰাক্ষসটোৱে ক'লে, "মই তোমাৰ এই সততাৰ তথা দৃঢ়তাৰ শলাগ লৈছোঁ। ঠিক আছে, তুমি যোৱা, মহাৰাজক সংবাদটো কোৱাগৈ, আৰু যিমান শীঘ্ৰে সম্ভৱ পুনৰ ইয়ালৈ আহিবা।"

শিৰদত্তই ৰাক্ষসটোৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিলে আৰু ফেঁটাৰ মুৰ ছিঙা লৰ দি মহাৰাজৰ ওচৰ পালেগৈ।

শিৰদত্তই ময়মন্তপুৰৰ বা-বিৱৰণ বিবৰি পুনৰ সেই অৰণ্যলৈ যাবলৈ খোজ লোৱাৰ লগে লগে মহাৰাজে সুধিলে যে শিৰদত্তই ইমান খৰখেদা কৰিছে কিয়।

মহাৰাজৰ প্ৰশ্নৰ উত্তৰত শিৰদত্তই ৰাক্ষসৰ সৈতে চুক্তিৰ কথা মহাৰাজক ভাঙি-পাতি ক'লে আৰু তৎক্ষণাৎ সেই

অটব্য অৰণ্যলৈ বুলি খোজ ল'লে।

এই সত্যনিষ্ঠ কৰ্তব্যপৰায়ণ তথা অতুলন ৰাজভক্তি থকা শিৰদত্তৰ প্ৰতি মহাৰাজৰ মৰম আৰু বাঢ়ি গ'ল। তেওঁ তেওঁৰ মন্ত্ৰীমণ্ডলীক শাসন বিষয়ক কিছুমান নিৰ্দেশ দিলে আৰু তাৰ পাছত সেই অৰণ্যলৈ বুলি যাত্ৰা কৰিলে।

কথা দিয়া মতে সঁচাসঁচিকৈ শিৰদত্ত ঘূৰি অহাত ৰাক্ষসটো বাস্তৱিকেই অবাক হৈ পৰিছিল। সি শিৰদত্তক কিবা ক'বলৈ মুখ মেলোঁতেই তাৰ আগত অন্য এজন মানুহক থিয় হোৱা দেখি বৈ দিলে।

সেই আগন্তুক মানুহজনে ৰাক্ষসটোক



কৰি থৈ আহিছোঁ। তুমি ইয়াৰপৰা গৈ আমাৰ ৰাজধানী পোৱামাত্ৰেই মন্ত্ৰিবৰ্গই তোমাৰ ৰাজ্যাভিষেক কৰিব। তোমাৰ নিচিনা সৎ নিষ্ঠাৱান ৰজাৰ ৰাজত্বত প্ৰজাবৰ্গ যথেষ্ট সুখ-শান্তিৰে থাকিব।"

এওঁলোকৰ বাৰ্তালাপ শুনি আনন্দিত মনেৰে ৰাক্ষসে ক'লে, তোমালোকৰ দৰে মৃত্যুভয়হীন মানুহ মই মোৰ জীৱনত আগে কদাপিও দেখা নাই। —মই যে তোমালোক দুয়োজনকে খাই পেলাব পাৰোঁ—সেই কথা জানানে?"

মহাৰাজে মিচিকীয়াই হাঁহি ক'লে, "তুমি বিশ্বাস কৰি শিৱদত্তক এৰি দিছিলা। তোমাৰ বিবেকবোধ এই ঘটনাতে স্পষ্ট। এই কাৰণেই—লগত কোনো সৈন্য বা দেহৰক্ষীও নোলোৱাকৈ তোমাৰ ওচৰলৈ মই অকলেই আহিলোঁ।"

ৰাক্ষসে ক'লে, "এতিয়া তোমালোকে ফয়চলা কৰা যে মই কাক খাম।"

শিৱদত্তই মহাৰাজ চন্দ্ৰমাধৰক ক'লে, "মহাৰাজ, মই ৰাজ্যৰ শাসনৰ দায়িত্ব পালন কৰিব নোৱাৰিম। এই ক্ষমতা মোত নাই। দয়া কৰি আপুনি ৰাজধানীলৈ উভতি যাওক।"

"নহয়, তুমিয়েই ৰাজধানীলৈ যোৱা। তুমি ময়মন্তপুৰৰ ৰজা প্ৰচণ্ডক আক্ৰমণ কৰি

ক'লে, "হে ৰাক্ষসোত্তম! তুমি শিৱদত্তৰ সত্যনিষ্ঠা দেখিলাই। শিৱদত্ত মোৰেই সেৱক। গতিকে তাক ৰক্ষা কৰাটো মোৰ ধৰ্ম। তুমি শিৱদত্তক এৰি দিয়া, আৰু তাৰ সলনি মোক খোৱা।"

বিভ্ৰান্ত ৰাক্ষসে একো ক'বলৈ নৌপাওঁতেই শিৱদত্তই কৈ উঠিল, "মহাৰাজ, আপুনি কি কৈছোনো? মোৰ নিচিনা সাধাৰণতো সাধাৰণ এজন মৰিলে ক্ষতি মাত্ৰ এখন পৰিয়ালৰ; কিন্তু আপোনাৰ মৃত্যুৰ অৰ্থ হ'ব—ৰাজ্য হ'ব পিতৃহীন।"

মহাৰাজ চন্দ্ৰমাধৰে ক'লে, "শিৱদত্ত, ৰাজ্য পিতৃহীন নহ'ব। তাৰ বন্দৱস্ত মই

পৰাজিত কৰিব পাৰিলে শৰশ্চন্দ্ৰিকা-পুৰৰ ৰজা হ'বা। আৰু—এই সংবাদ পোৱাৰ পাছ মুহূৰ্ততে মই এই বিবেকৰান ৰাক্ষস-শ্ৰেষ্ঠৰ আহাৰ হ'ম।"

ৰাক্ষসে মহাৰাজৰ চৰ্ত মানি ল'লে আৰু শিৰদত্তক ক'লে, "শিৰদত্ত, মহাৰাজৰ আদেশ পালন কৰা, আৰু তুৰন্তে ৰাজধানীলৈ যোৱা। তুমি উভতি নহালৈকে মহাৰাজ মোৰ বন্দী।"

মহাৰাজৰ আদেশ মতে শিৰদত্ত ৰাজধানীলৈ উলটিল।

তাৰ পাছত শিৰদত্তই বিৰাট সৈন্য-বাহিনীৰে সৈতে ময়মত্তপুৰৰ ৰজা প্ৰচণ্ডক প্ৰচণ্ডভাৱে আক্ৰমণ কৰি পৰাজিত কৰিলে আৰু ৰজা প্ৰচণ্ডক বন্দী কৰি কাৰাগাৰত ভৰাই থ'লে।

আৰু তাৰ পাছত আৰু কালবিলম্ব নকৰি শিৰদত্ত সেই অৰণ্যলৈ গ'ল। তেতিয়া শিৰদত্তৰ সৈতে এজনী ধুনীয়াৰো ধুনীয়া গাভৰুও আছিল।

গাভৰুজনীক দেখা পাই বিস্মিত ৰাক্ষসে শিৰদত্তক সুধিলে, "এই ছোৱালীজনী কোন—?"

শিৰদত্তই ক'লে, "এওঁ ময়মত্তপুৰৰ ৰাজকুঁৱৰী মন্দাকিনী। এওঁ মনে-চিতে আমাৰ মহাৰাজৰ পাণিপ্ৰাৰ্থী। বিবাহ কৰালে শৰশ্চন্দ্ৰিকাপুৰৰ ৰজাক বিবাহ কৰাব বুলি এওঁ বহু আগৰেপৰাই হেনো অংগীকাৰ কৰিছিল। গতিকে—এওঁৰ মনত দুখ দিয়াটো মহাৰাজৰ পক্ষে অনুচিত কাম হ'বনে নহয়—মহাৰাজেই কওক। আৰু ৰাক্ষসশ্ৰেষ্ঠয়ো মহাৰাজক মুক্তি দিয়ক, আৰু মোকেই খাওক।"

তেতিয়া ৰাক্ষসে মহাৰাজ চন্দ্ৰমাধৰক সুধিলে, "ৰাজন্! এতিয়া কোৱাঁ, শিৰদত্তৰ প্ৰস্তাৱ মানি ল'বানে?"

মহাৰাজে অনিচ্ছাৰে ক'লে, "এই যুৱতীয়ে হয়তো মোক মনে-চিতেই বিচাৰে। কিন্তু মই এই যুৱতীক বিচৰা-

নিৰ্বিচৰা দূৰৰে কথা—মই এইজনীক আগে কেতিয়াও দেখাও নাছিলোঁ। আৰু —মই এতিয়া আৰু ৰজা হৈ থকা নাই। ময়মন্তপুৰৰ ৰজাক শিৰদত্তই যেতিয়া পৰাজিত কৰিলে, তেতিয়াই শিৰদত্ত শৰশ্চন্দ্ৰিকাপুৰৰ ৰজা হৈ গ'ল। গতিকে গতিকে—এতিয়া এই যুৱতীক শিৰদত্তই বিবাহ কৰক আৰু আমাৰ ৰাজ্যৰ সকলো সমস্যাৰ সমাধান হওক।"

ৰাজকুঁৱৰী মন্দাকিনীয়ে ৰাক্ষসক ক'লে, "হে ৰাক্ষসমিত্ৰ! মই শৰশ্চন্দ্ৰিকাপুৰৰ ৰজাক নহয়, চন্দ্ৰমাধৱদেৱকহে বিবাহ কৰাম। মহাৰাজক যদি তুমি খোৱা, মোকো খাবা। কিয়নো, তেতিয়া —জীৱনত নহ'লেও মৰণত মই মোৰ পৰম আৰাধ্য পতিক পাম।"

ৰাজকুঁৱৰী মন্দাকিনীৰ কথা শুনি ৰাক্ষস নিৰুত্তৰ হৈ থাকিল। ৰাক্ষসে তিনিওলৈ নিৰীক্ষণ কৰিলে আৰু তাৰ পাছত ক'লে, "মানুহ কেৱল শাৰীৰিকভাৱেই নহয়, মানসিকভাৱেও অতি দুৰ্বল বুলি মই ইমানদিন ধৰি জানিছিলোঁ। কিন্তু স্বাৰ্থপৰ ঈৰ্ষাকাতৰ চকুচৰহা অকাৰণ-হিংস্ৰ মানুহো যে কিমান ত্যাগী হ'ব পাৰে আজিহে জানিলোঁ। তোমালোক তিনিওজনৰ মাজতে অদ্ভুত সদগুণ নিহিত আছে। মৃত্যুলৈ নিডৰ-নিৰ্ভয়, মানৱৰ প্ৰতি প্ৰেম-অনুৰাগ আদি সদগুণে মানৱক দেৱত্বলৈ উন্নীত কৰে। মানৱ প্ৰকৃততে দেৱাংশ। গতিকে—ইমানলৈকে জানিও তোমালোকক খাওঁ কেনেকৈ কোৱাচোন? —যিজন শিৰদত্তই নিজৰ দেশৰ ৰজাৰ কাৰণে প্ৰাণ উছৰ্গে—তাকে খাওঁনে? যিগৰাকী ৰজাই তেওঁৰ সেৱকৰ কাৰণে হেলাৰঙে প্ৰাণ দান কৰিব পাৰে—তেওঁক খাওঁনে? আৰু যিজনী ছোৱালীয়ে মনে-পতা পতিৰ কাৰণে বিভা হোৱাৰ আগেই প্ৰাণাহুতি দিয়ে—তাইক কেনেকৈনো খাওঁ?—মই তিনিওকো আনন্দৰে মুক্ত

কৰিছোঁ।" এই বুলি কৈয়েই সেই ৰাক্ষস আকাশলৈ উৰি নোহোৱা হৈ গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিকে, "হে ৰাজন, শিৱদত্তৰ সমগ্ৰ আচৰণৰ পৰ্য্যালোচনা কৰি চালে তাৰ আচৰণত কিছু সন্দেহৰ থল ওলায়। যদি সঁচাকৈয়েই শিৱদত্তই ৰাজভক্তিৰ বাবে নিজক উছৰ্গিব খুজিছিল, তেনেহ'লে ময়মন্তপুৰৰ ৰজাৰ হাতত সি নিজে নিজেই পৰাজিত হ'ব লাগিছিল। কিয়নো, পৰাজিত হোৱাহেঁতেন শিৱদত্ত শৰশ্চন্দ্ৰিকাপুৰৰ ৰজা নহ'লহেঁতেন, আৰু তেতিয়া ৰাক্ষসে তাকেই খালেহেঁতেন। শিৱদত্তই প্ৰচণ্ড যুদ্ধেৰে প্ৰচণ্ডৰজাক পৰাজিত কৰাৰ ফলতহে মহাৰাজ চন্দ্ৰমাধৱ ৰাক্ষসৰ আহাৰ্য্য হৈছিল — এই কথা মনকৰিবলগীয়া। ৰাজকুঁৱৰী মন্দাকিনী এই ঘটনাৰ পাত্ৰী হিচাপে প্ৰবেশ নকৰাহেঁতেন শিৱদত্ত নিশ্চয়েই শৰশ্চন্দ্ৰিকাপুৰৰ ৰজা হ'লহেঁতেন। — শিৱদত্তৰ প্ৰতি মোৰ মনত ওপজা এই সন্দেহৰ সদুত্তৰ সঠিককৈ জানিও যদি নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "জগতৰ কোনো প্ৰকৃত বীৰ-শূৰ প্ৰভুভক্তই নিজৰ প্ৰাণৰ কথা কদাপি নাভাবে, শিৱদত্তয়ো নাভাবিছিল। শিৱদত্তই ময়মন্তপুৰৰ ৰজা প্ৰচণ্ডক পৰাজিত নকৰাহেঁতেন সমগ্ৰ শৰশ্চন্দ্ৰিকাপুৰৰ প্ৰজাৰ বিপদ হ'লহেঁতেন, আৰু এই ক্ষেত্ৰত বিপদ মাত্ৰ এজনৰহে হৈছিল। গতিকে—প্ৰজাৰ মংগলৰ কাৰণে শিৱদত্তই সম্পূৰ্ণ সঠিক কাম কৰিছিল—এই কথাত তিলমানো সন্দেহৰ থল নাই।"

এই কথা কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটোৰে সৈতে পুনৰ সেই গছলৈ সাউতকৰে গুচি গ'ল। [কল্পিত

[আধাৰ: বৰ্ণালী বৰাৰ ৰচনা]

থোৰৰ কথা

হস্পিটালত গোগেন নামৰ চিনাকি বেমাৰী মানুহ এজনক চাবলৈ যোগেন আহিল যেতিয়া, বেমাৰী চাবলৈ হস্পিটালৰ ভিতৰ সোমবলৈ তেতিয়াও এঘণ্টামান সময় ৰ'ব লাগিব।

কি আৰু কৰিব। বাহিৰত বেঞ্চি এখনত বহিলগৈ যোগেন। বেঞ্চত আন এজন মানুহো বহি আছিল। কথাই কথাই মানুহজনক সুধিলে, "আপুনিও বেমাৰী চাবলৈ আহিছেনে? কোন বিভাগত?"

মানুহজনে ক'লে, "মই—যোৱা চাৰি-পাঁচ মাহৰপৰা ইয়াত চিকিৎসা কৰাই আছোঁ। ডাক্টৰে কয় যে মোৰ হেনো মূৰৰ গণ্ডগোল।"

যোগেনে আচৰিত মানিলে। কিয়নো—এই মানুহজনৰ আচাৰ-আচৰণত তেনেকুৱা সামান্য লা-লক্ষণো নাই দেখোন। যোগেনে মানুহজনক ক'লে, "কি কয়! আপোনাৰ কথা-বতৰা আচাৰ-ব্যৱহাৰ সকলো দেখোন আমাৰ দৰেই। আপুনি ইমান যে নম্ৰ মানুহজন! কিয়নো আপুনি চিকিৎসা কৰাইছে?"

মানুহজনে মুচুককৈ হাঁহিলে আৰু ক'লে, "ইয়াৰ ডাক্টৰে হেনো বহুকাল ধৰি ইয়াত বলিয়াৰ চিকিৎসা কৰি আছে। মোৰ সন্দেহ, ডাক্টৰ নিজেই বলিয়া নহয় তো—? মোৰ কিন্তু কাঠৰ জোতাতকৈ চামৰাৰ জোতাহে অধিক পছন্দ। —আপোনাৰ?"

যোগেনে ক'লে, "মোৰো, চামৰাৰ জোতাতকৈ ভাল জোতা আৰু নো কি?"

"পিছে—আপুনি চামৰাৰ জোতা সিজাই খায়নে সেঁকি খায়?"

এইবাৰহে যোগেনে ঠাৱৰ কৰিলে থোৰৰ কথা। খোহ-মোহ খাই তাৰপৰা বেগাই খোজ ল'লে।



ৰাজপুত দুৰ্গ-২

কথা : মীৰা উগ্ৰা   চিত্ৰ : সুলভ ঠাকুৰ

ভাৰতৰ দুৰ্গ-৪

মৰুভূমিৰ বালিৰ ওপৰত মূৰ দাঙি থকা জৈশ্বলমীড় দুৰ্গৰ হালধীয়া বৰণৰ চূণ-শিলৰ গাত পৰা জিলিকোৱা মুক্ত ৰৌদ্ৰৰ আভাৰে সোণেৰে গঢ়া যেন লাগে।

এই দুৰ্গৰ উল্লেখযোগ্য বিশেষ কথা হ'ল যে এই দুৰ্গৰ বাহিৰা প্ৰাচীৰ হ'ল দুতৰপীয়া। ১১৫৩ চনত ভাটি-শাসক ৰাওৱল জৈশ্বলদেৱ নিৰ্মিত এই দুতৰপীয়া বাহিৰা প্ৰাচীৰৰে নিৰ্মিত এই দুৰ্গ অতি নিৰাপদ বুলি ভবা হৈছিল। থলুৱা মানুহে এই প্ৰাচীৰক কামাৰকোট বা পডা বুলি কৈছিল।

এই দুৰ্গ অধিকাৰৰ বাবে বহু যুদ্ধ হৈছিল। দিল্লীৰ অন্যতম ছুলতান বলবনে এই দুৰ্গ ১২৭৬ চনৰপৰা ১২৮৩ চনলৈকে অৱৰোধ কৰি ৰাখিছিল।



জৈশ্বলমীড় দুৰ্গ

তেতিয়াৰকালত জৈশ্বলমীড় আছিল বিৰাট বাণিজ্যিক কেন্দ্ৰ। উটৰ পিঠিত উঠি অহা-যোৱা কৰা বণিজ্বাৰুইতে আফঘানিস্থানৰপৰা আহিছিল বা আফঘানিস্থানলৈ গৈছিল, গৈছিল—ছিৰিয়া, ইৰাক, ইৰাণ তথা মিছৰ-দেশলৈ। ভাটি-শাসকসকল যেতিয়া মোগল সম্ৰাট অকবৰৰ সহযোগী হৈছিল ১৫৭০ চনৰপৰা, তেতিয়া এই বাণিজ্যিককেন্দ্ৰ দ্ৰুত বিস্তৃত হৈছিল। স্থানীয় জৈন ব্যৱসায়ীসকলে ইয়াত অসংখ্য মন্দিৰ নিৰ্মাণ কৰিছিল আৰু দেৱাল-চিত্ৰেৰে সুসজ্জিত কৰিছিল।

জৈশ্বলমীড় দুৰ্গৰ
খিৰিকীৰ জালী



© Amrita Bharati,
Bharatiya Vidya Bhavan.

ৰাজস্থানৰ 'জুনাগড় দুৰ্গ' অন্যান্য সুপ্ৰাচীন দুৰ্গৰ তুলনাত নবীন। এই দুৰ্গ বিকানীৰত, ১৫৯৪ চনত নিৰ্মিত। এই দুৰ্গৰ গাত থকা খিৰিকীৰ জালীবোৰ আৰু দেৱাল-চিত্ৰবোৰ প্ৰকৃততেই মনকৰিবলগীয়া। জালীবোৰৰ মাজেদি বৈ অহা বতাহে দুৰ্গৰ ভিতৰফাল মৰুভূমিৰ তাপৰপৰা জুৰ কৰি ৰাখে।

জয়পুৰৰ ওচৰত থকা অম্বৰগড় দুৰ্গ কাচ্ছৱাহা শাসকসকলত নিৰ্মাণশৈলীৰ অপূৰ্ব নিদৰ্শন। দুখন

জুনাগড় দুৰ্গ

বিনানীৰ প্ৰাসাদৰ অভ্যন্তৰভাগ

সৰু সৰু দুৰ্গ—জয়গড় আৰু নহৰগড়—বিৰাট অম্বৰ দুৰ্গৰ প্ৰহৰী-দুৰ্গ হিচাপে নিৰ্মিত হৈছিল। এই দুৰ্গত্ৰয় কদাপি আক্ৰান্ত হোৱা নাছিল।

জয়গড়ৰ প্ৰহৰী-দুৰ্গ

জয়গড় দুৰ্গ 'চিল্‌হ্' পাহাৰৰ ওপৰত সজা হৈছিল। এই পাহাৰত হিলৈ নিৰ্মাণৰ কাৰখানা আছিল। এই দুৰ্গৰ মাটিৰ তলৰ ভঁৰালঘৰত ৰাজকীয় ঐশ্বৰ্য্যাদি ৰক্ষিত হৈছিল। এই দুৰ্গৰপৰা গুপ্ত সুড়ংগেৰে অম্বৰগড় দুৰ্গ লৈ অহা-যোৱা কৰিব পাৰিছিল। এই দুৰ্গস্থিত ৰাজকীয় ঐশ্বৰ্যাদিৰ ৰক্ষক আছিল এই পৰ্বতাঞ্চলত থকা মীনা পাৰ্বত্য উপজাতি সকল। এজন মীনা-চৰ্দাৰে মহাৰাজৰ চকুত কাপোৰেৰে বান্ধি ধন-ভঁৰাললৈ লৈ গৈছিল।

তেতিয়াৰ কালৰ ভাৰতৰ সৰ্ববৃহৎ বৰতোপ জয়বান এই জয়গড় দুৰ্গতে অৱস্থিত আছিল। এই ৰবতোপৰপৰা —পৰীক্ষাৰ কাৰণে মাত্ৰ এবাৰহে হেনো—গোলা নিক্ষেপ কৰা হৈছিল।

জাঠ ৰজা সুৰজমলে ১০৩২ চনত ভৰতপুৰত লোহাগড় দুৰ্গ নিৰ্মাইছিল। এই দুৰ্গৰ মাটিৰে নিৰ্মিত বাহিৰা প্ৰাচীৰক হেনো তেতিয়াৰ বৰতোপেও ভাঙিব নোৱাৰিছিল। ইস্ট ইণ্ডিয়া কম্প্যানিৰ ২৭,০০০ সৈন্য ১৮২৫ চনৰ নভেম্বৰৰপৰা এই দুৰ্গ অৱৰোধ কৰিছিল, ১০,০০০ পাউণ্ড বিস্ফোৰকও ব্যবহাৰ কৰিছিল এই দুৰ্গৰ প্ৰাচীৰ ভাঙিববলৈ, কিন্তু তেওঁলোকৰ প্ৰচেষ্টা হেনো সমূলি ব্যৰ্থ হৈছিল, এইবোৰ বিস্ফোৰণৰ আৰাও সুদূৰ আগ্ৰাৰপৰাৰ শুনা গৈছিল। ১৮২৬ চনতহে ভৰতপুৰৰ লোহাগড় দুৰ্গৰ পতন হৈছিল।



লোহাগড় দুৰ্গ

দেৱসিং নামৰ এজন হাদা চৰ্দাৰে এজন মীনা-চৰ্দাৰক ১২৪১ চনত, বুন্দিত পৰাজিত কৰিছিল আৰু তাত তেওঁ ৰাজ্য স্থাপন কৰিছিল ; বুন্দি ৰাজ্যৰ ৰাজধানী পাতিছিল হাদৌতিৰ হাদাৱতীত। তেওঁৰ নাতিয়েক ৰাও বাৰসিঙে তাৰাগড় দুৰ্গ সাজিছিল ১৩৫২ চনত। এওঁৰ বংশধৰসকলে ৬০০ বছৰলৈ ৰাজত্ব কৰিছিল।

হাদা বীৰসকলৰ বিষয়ে প্ৰচুৰ কিংবদন্তি আছে। এবাৰ উদয়পুৰৰ ৰাণা লখাই বুন্দি অধিকাৰ নকৰালৈকে খাদ্য বা পানীয় একো নাখাব বুলি শপথ খালে; তেতিয়া, ৰাণাৰ স্বাস্থ্যৰ কথাত চিন্তিত হৈ উপদেষ্টাসকলে এটা 'নকল' দুৰ্গ 'জয়' কৰাৰ বন্দবস্ত কৰিলে।

এই নকল দুৰ্গৰ দায়িত্ব কুম্ভ নামৰ হাদা এজনক দিয়া হ'ল আৰু কুম্ভক কোৱা হ'ল যে উদয়পুৰৰ ৰাণাই এই দুৰ্গ আক্ৰমণ কৰাৰ পাছত কুম্ভই ৰাণাৰ ওচৰত আত্মসমৰ্পণ কৰে যেন। বন্দবস্তমতে ৰাণাই তেওঁৰ ক্ষুদ্ৰ সৈন্যবাহিনীৰে সৈতে এই নকল দুৰ্গ আক্ৰমণ কৰিলে। কিন্তু সেই নকল দুৰ্গৰপৰা বাণবৃষ্টি চলি থাকিল। তেতিয়া ক্ৰুদ্ধ-ক্ষুব্ধ ৰাণাৰ উপদেষ্টাসকলে বহু চেষ্টাৰে কুম্ভৰ সৈতে সাক্ষাত কৰি এই বিপৰীত ঘটনাৰ কাৰণ কি—সুধিলে। কুম্ভই তৰোৱাল জোকাৰি উত্তৰ দিলে, "দুৰ্গ নকল, কিন্তু হাদা আচল। মই এই বুন্দিগড় অধিকাৰ কৰিবলৈ নিদিওঁ।" বাধ্যত পৰি ৰাণাক তাৰপৰা লৈ গুচি গ'ল।

বুন্দি দুৰ্গ শৈল্পিক কাৰুকাৰ্য্যেৰে ভৰপুৰ। এই দুৰ্গৰ ৰাগমালা, বাৰমাস্যা চিত্ৰ গভীৰ অৰ্থবহ।



তাৰাগড় দুৰ্গ

ভূতেই ওজাৰ ঔ

ভদ্ৰপুৰৰ ভূতনাথ আছিল ভূত-প্ৰেত-খেদা ওজা। ৰাইজৰ ধাৰণা আছিল যে, ভূতনাথৰ নাম ল'লেও ভূত পলায়।

ভূতনাথৰ ঘৈণীয়েক কামিনী কিন্তু স্বভাৱত ভূতনাথৰ বিপৰীত। ভূতনাথ সদায় বদ-মেজাজী, কামিনী কোমল।

এদিন ভূত খেদিবলৈ ভূতনাথ কোনোবা এখন দূৰণিবটীয়া গাঁৱলৈ গ'ল, আৰু ঠিক সেইদিনাই অবেলিপৰতে কামিনীৰ দূৰ-সম্পৰ্কীয় আত্মীয় চাৰিজন ভূতনাথৰ ঘৰলৈ আহিল।

তেওঁলোকে কামিনীক ক'লে, "কামিনী, আমি বহু দূৰলৈ যাম। কিন্তু আমি বৰ ভাগৰি পৰিছোঁ। ৰাতিৰ সাজ যদি তোমাৰ ঘৰতে খাওঁ—টান পাবানে কি? যদি আজি তুমি আমাৰ এইখিনি উপকাৰ কৰিব পাৰা বৰভাল পাম আমি।"

কামিনীয়ে ক'লে, নিশ্চয় খুৱাম, এয়া কোনো ডাঙৰ কথা নহয়। এতিয়া আপোনালোক জিৰাওক, জা-জলপান খাওক—মই ৰান্ধোগৈ।"

কামিনীয়ে ৰান্ধি থাকোঁতে ভাবিলে: তেওঁ যদি কেনেবাকৈ পায়হি এতিয়া, সৰ্বনাশ হ'ব। চাৰিজন মানুহক ৰান্ধি-বাঢ়ি খুৱাইছোঁ—দেখিলেই মাথা খাৰাপ হৈ যাব তেওঁৰ। তেতিয়া তেওঁ মোকো গালিৰে তেভূত কৰিব, আলহীকেইজনকো ভূত-খেদাদি খেদিব।

কামিনীয়ে জলদি জলদিকৈ ৰান্ধিলে আৰু মানুহ চাৰিজনক তেতিয়াই তপতে-তপত খাবলৈ দিলে, কিয়নো—ভূতনাথ কেতিয়া যে পায়হি তাৰ কি ঠিক।

শংকৰ শইকীয়া

আহিবৰ হ'লেই—আহি পালেহিয়েই। তেওঁৰ স্বভাৱ বৰ কঠোৰ-কঠুৱা। আপোনালোকক খাবলৈ দিছোঁ যে এই কথাতে হুলস্থুল লাগি পৰিব। মই বাৰীৰ বাগিচাত থাকিমগৈ, তেওঁ দুৱাৰ খটখটালেও আপোনালোকে পট্‌কৈ দুৱাৰ নোখোলে যেন। যেতিয়া খুলিব—তেতিয়া দৌৰি ওলাই গুচি যাবগৈ। চাব, আন্ধাৰে-মুন্ধাৰে পিছল খাই নপৰে যেন।" এই বুলি কৈ কামিনী খৰধৰকৈ বাৰীৰ পিনে গ'লগৈ।

ভূতনাথে দুৱাৰত ধকিয়ায়েই আছিল, কিন্তু কোনেও দুৱাৰ খোলা নাছিল। ভূতনাথে চিঞৰি চিঞৰি কৈ থাকিল, "কামিনী, দুৱাৰ খোলা!"

হঠাৎ দুৱাৰখন খোল খাই গ'ল। ঘৰৰ ভিতৰত অন্ধকাৰ। আৰু সেই অন্ধকাৰৰ মাজেদি চাৰিজন মানুহ হুৰামুৰাকৈ ওলাই আহি ভূতনাথৰ গাত পৰিল আৰু ভূতনাথক তললৈ বগৰাই পেলাই দুই-চাৰি কিল-ভুকু-গোৰ শোধাই—তেহে হুৰমুৰকৈ গুচি গ'ল।

"মাৰিলেঁ। ঔ! মোক ভূতে খালে ঔ!" বুলি কৈ কৈ ভূতনাথে আটাহ পাৰি থাকিল, আৰু ঠিক তেতিয়াই "গৈছোঁ—গৈছোঁ—" বুলি কৈ কৈ কামিনী বাৰীৰ-

অলপ পাছত গলিত কুকুৰবোৰে ভুকিবলৈ ধৰাত কামিনীয়ে খিৰিকীয়েদি বাহিৰলৈ চালে, আৰু চাই—ভূত দেখাদি ভূতনাথক দেখা পালে।

ভূতনাথে তেতিয়া তাৰ বিৰাই লাঠি-ডালেৰে কুকুৰবিলাকক পোনাই আছিল আৰু কৈ আছিল, "গাঁৱৰ কুত্তাবোৰে কি জানিবি, এই গাঁৱৰ ভূতনাথ ওজাৰ কিমান শকতি! আকৌ ভুকিছ যদি মৰিছ।"

ইপিনে আলহী চাৰিজনৰ খেৰা-বোৱা যদিও শেষ হওঁ হওঁ, কামিনীয়ে তথাপি তেওঁলোকক ক'লে, "আপোনালোকে জলদি জল্‌দিকৈ খাওক। আমাৰ তেওঁৰ

পৰা ঘৰৰ ভিতৰলৈ আহিল। কামিনীয়ে চাকি জ্বলালে আৰু গিৰিয়েকক ক'লে, "আপোনাৰ—এনেকুৱা অৱস্থা হ'লনে? কাপোৰত আঞ্জাৰ দাগ লাগিল, মূৰত এবেহা থকা কলপাত—নিশ্চয় সেই কেইটাৰ কাম।"

"কোন কেইটানো?"

কৈ কৈ ভূতনাথ কথমপি উঠি থিয় হ'ল, আৰু ঘৰত চাউল-পাচলি আদি অ'ত ত'ত পৰি থকা দেখি ক্রুদ্ধ কণ্ঠেৰে ক'লে, "মই নথকাত আক-তাক পীৰা পাৰি আথেবেথে বহুৱাই পেট পূৰাই ভোজ খুৱাইছা যেন পাওঁ? কথানো কি—মোক ভাতি-পাতি ক'ব লাগিব। নহ'লে—"

কামিনীয়ে ক'লে, "আপোনাৰ যি মন যায় কওক। কিন্তু ঈশ্বৰে যে মোৰ শাঁখ-সেন্দূৰ ৰক্ষা কৰিলে—তাৰ কাৰণেই মই তেওঁৰ ওচৰত আঁঠু লৈছোঁ।"

"কিনো অগ্রং-বগ্রং বকিছা? মোৰ কথাৰ জৱাব দিয়া।" যদিও ক্রুদ্ধ কণ্ঠেৰেই ক'লে, তথাপি, তাৰ মনত কিবাকিবি সন্দেহেও উক দিলে।

কামিনীয়ে চকুপানী মচাৰ ভাও জুৰিলে আৰু পাছত ফোঁপাই-জোপাই ক'লে, "এতিয়া আৰু পস্তালেও লাভ নাই, যি হ'বলগা আছিল হৈ গ'ল। আপুনি



ভূতখেদা ওজা, নহৈ হালোৱা হোৱা-হেঁতেন আমাৰ যে কিমান যে ভাল হ'লহেঁতেন—।"

ভূতনাথ কামিনীক ৰখালে আৰু ক'লে, "কি হৈছিল ক'বানে? তোমাৰ ওপৰতো— কিবা—কোনোবা ধুবুৰীৰ পৰ অহা দৈত্য-দানহ-ৰাইক্কহ ভূত-প্রেত লম্ভিছিল নে কি?"

"এদিন নহয় এদিন লম্ভিবই নহয়—? পিছে আজিৰ কথা শুনক—।" কামিনীয়ে কৈ থাকিল: আপুনি গ'ল ভূত খেদিবলৈ, আৰু তাত যিকেইটা ভূতক খেদিলে সিহঁত কেইটা পেনে পোনেই আহিল

আমাৰ ঘৰলৈ। আহি মোক ক'লে সিহঁত কেইটাই, 'বোলোঁ অ' —ভূত-খেদা ভূতনাথৰ ঘৰিণী, আমি তাত সুখেৰে থাইবৈ আছিলোঁ, কিন্তু তোৰ গিৰিয়েৰে আমাক তাৰপৰা খেদিলে। এতিয়া তই ৰান্ধি থুৱা, নহ'লে তোকেই কেঁচাই কেঁচাই খাম। আজি চাবি, তোৰ পৈয়েৰটো যেতিয়া ঘূৰিব, তেতিয়া তাক কেনেকৈ নাকাল কৰোঁ—চাবি।' এই বুলি কৈ কৈ সিহঁত চাৰিটা ঘৰত বহিল আৰু মই বাধ্যত পৰি সিহঁতকেইটাক ৰান্ধি-বাঢ়ি খাবলৈ দিলোঁ। আৰু—তাৰ পাছত আপুনি আহিল—পাছৰ কথাখিনি আপুনি নিজেই দেখিছে, নিজেই সোৱাদ পাইছে—"

ভূতনাথে লাঠিডাল দাঙি শূন্যলৈ ঘূৰাই ঘূৰাই ক'লে, "সিহঁতকেটাক—পাওঁ যদি এবাৰ—" এই বুলি কৈ কৈ মন্ত্ৰ মাতিবলৈ যো-জা কৰি থাকোঁতেই কামিনীয়ে কৈ উঠিল, "ৰ'বচোন, মোৰ কথাখিনি শেষেই নহ'ল। —মই সিহঁত কেইটাক ক'লোঁ যে—মই যিহেতু সিহঁতে দাবী কৰা মতে ৰান্ধি-বাঢ়ি থুৱালোঁ, সিহেতুকে সিহঁতে আপোনাৰ একো অনিষ্ট কৰিব নালাগে। চাৰিটাৰ মাজত তিনিটা মোৰ কথাত মান্তি হ'ল, কিন্তু এটাই কৈ উঠিল, 'মই তোমাৰ গিৰিয়েৰক নেৰোঁ। মই তাক মাৰি ভৈয়াম নকৰোঁ যদি—মোৰ নাম কি বোলেনে ৰামপুৰৰ ৰংগা নহয়। আৰু মই —"

ৰংগা-ভূতৰ নাম শুনি ভূতনাথহেন ওজায়ো ধাৰৰ নলকঁপা দিলে আৰু ক'লে, "হয়নে—? এই ভূতকেটাৰ মাজত ৰংগাও আছিল। ভাগ্য ভাল যে—কাণে কাণ মাৰি এইবাৰলৈ সাৰিলোঁ।" এই বুলি কৈ, মন্ত্ৰ মাতি মাতি ভূতনাথে ঘৰৰ দুৱাৰ-খিৰিকীবোৰ অতি ভালকৈ মাৰি দিলে, আৰু কামিনীয়েও স্বস্তিৰ উসাহ পেলাই টোপনিত লাল-কাল দিলে।

কামিলা

চাৰিআলি গাঁৱৰ ভূপতিক কাম-বন কৰা মানুহ এজন লাগে। কথাটো ভূপতিয়ে তেওঁৰ বন্ধু নৃপতিক কোৱাত নৃপতিয়ে ক'লে, "আমাৰ ঘৰত দুজন কাম-কৰা মানুহ আছে, দুয়োজনেই বিশ্বাসী। এজন বুদ্ধিমান, কিন্তু কাম-বনত সিমান যেন মন নাই, আকৌ দৰমহাও তাক লাগে বেছি। দ্বিতীয়টো বুদ্ধু, কিন্তু কাম কৰে খুব, আৰু দৰমহাও যি দিয়া হয় লয়, ওজৰ-আপত্তি নাই তাৰ। এতিয়া কোৱা, কোনজনক লাগে—কাক মই পঠাওঁ তোমাৰ ওচৰলৈ।"

"গিৰিহঁত যদি বুদ্ধু নহয়, বুদ্ধি থকা হয়, তেনেহ'লে চাকৰ-নাকৰ বুদ্ধু হ'লেও তাৰে ঠিকেই কাম আদায় কৰিব। তুমি মোক দ্বিতীয়টোকে দিয়া, যিয়ে খাব কম, আৰু কৰিব বেছি আমি তাকেই ল'ম বাছি।" ভূপতিয়ে ক'লে।

পাছদিনাই হৰকান্তক ভূপতিৰ ওচৰলৈ পঠাই দিলে নৃপতিয়ে। ইকথা-সিকথা সুধি-পুছি—ভূপতিয়ে হৰকান্তক কামিলা হিচাপে ভালেই পালে।

এমাহমান কাম কৰিলে হৰকান্তই, এই এমাহতে সি গিৰিহঁতৰপৰা খাঃ খাঃ পালে ভালেকেইবাৰমান আৰু সি, বৰ তুষ্টও হ'ল।

ভূপতিৰ ছোৱালীজনী চহৰত থাকে। তাই এদিন দেউতাকলৈ চিঠি এখন লিখি পঠালে কামকৰা মানুহ এজনৰ হতুৱাই: ননদীৰ বিয়া, ভালৰো ভাল, খুব ৰংচঙীয়া শাড়ী-কাপোৰ এখন পঠাবই লাগে, আৰু তাই শনিবাৰৰ ভিতৰতে পাবই লাগে,

'ছফিউল্লাহ'



ভূপতিয়ে হৰকান্তক ক'লে শনিবাৰ দিনা চহৰলৈ যাবলৈ। হৰকান্ত সদায় সষ্টম, গতিকে কোনো লেঠা নাই।

কিন্তু শুকুৰবাৰদিনা বৰষুণ নামিল, আৰু পুৰাৰপৰা গধূলিলৈকে ছেদ-ভেদ নোহোৱা বৰষুণ। এই বৰষুণৰ মাজতেই মহেশ দোকানীয়ে শাড়ীখন লৈ আহিল ভূপতিৰ ঘৰলৈ। মহেশে ভূপতিক ক'লে, ডাঙৰীয়া, এই শাড়ীখন আপোনাৰ চাহিদামতে ৰঙৰ-বাহাৰেৰে ছপোৱা হৈছে, কিন্তু পূৰাপুৰিকৈ শুকুৱাৰ পৰা নাই। চাব, এটুপি পানীও শাড়ীখনত নপৰে যেন। এটুপি পানীয়েই শাড়ীখন নষ্ট কৰি দিব। গতিকে—অতি সাৱধানতাৰে লৈ যায় যেন।" এই বুলি বুজাই কৈ মহেশ গুচি গ'ল।

মহেশে যেতিয়া ভূপতিৰ কথাখিনি কৈছিল, হৰকান্তও তাতেই আছিল, আৰু শুনিছিল। এইবাৰ ভূপতিয়ে তাক ক'লে; "হৰকান্ত, শুনিলিয়েই নহয় কি কৈ গ'ল মহেশে। তেনেকৈ লৈ যাব পাৰিব নহয়—?"

হৰকান্তই শাড়ীখন হাতত লৈ টপৰকৰে কৈ উঠিল, শাড়ীখনত এটুপি দূৰৰে কথা—আধা-টুপি পানীও পৰিবলৈ নিদোঁ নহয়—? আপুনি যেংকৈ লৈ যাবলৈ

তাতকৈ অধিক পলম নহয় যেন।

চিঠিখন কঢ়িয়াই অনা মানুহজনে ভূপতিক ক'লে, "দেউতা, মই আজিয়েই গধূলিৰ আগে আগে চহৰলৈ উভতিম, যদি শাড়ীখন দিব পাৰে, মই চহৰলৈ লৈ যাব পাৰোঁ।"

ভূপতিয়ে দোকানী মহেশৰ ওচৰলৈ মানুহ এজনক পঠালে। কিন্তু তেনেকুৱা শাড়ী তাম দোকানত সম্প্ৰতে নাই, ছাপই দিব লাগিব, দুটামান দিন সময় লাগিল। গতিকে তেওঁ মানুহজনক ক'লে যে সি যাওকগৈ। শাড়ী—শনিবাৰে পাই যাব বুলি ছোৱালাজনীক কৈ পঠালে।

ক'ব তেংকৈ লৈ যাম, অলপো ইফাল-সিফাল নহ'ব চাব, শাড়ীৰ গাত—বৰষুণৰ ছিটিকণিও এটা নপৰিব।" হৰকান্তই হৰহৰকৈ কৈ গ'ল।

ভূপতিৰ পৰিবাৰৰো বৰ আনন্দ হ'ল। হয়, ছোৱালীজনীয়ে যেনেকুৱা শাড়ী এখন খুজি পঠাইছিল, তেনেকুৱাই হৈছে। আৰু হৰকান্তহেন কাম-কৰা মানুহ এজন আছেই যেতিয়া—সময়মতে শাড়ীখন পাব তাই।

শনিবাৰ দিনা শাড়ীখনৰে সৈতে হৰকান্ত চহৰলৈ বুলি ওলাল, আৰু অলপ পাছত চুবুৰীয়া এঘৰত বৰকৈ হৈ-হুলস্থুল লাগি পৰিল।

চুবুৰীয়া নগেনশৰ্মাৰ বৰকৈ বুকুৰ বিষ উঠিছে, থলুৱা চিকিৎসকে চহৰলৈ লৈ যাবলৈ পৰামৰ্শ দিছে। কিন্তু মস্কিল হ'ল যে—চহৰত ক'ত কি কৰিব—নগেনশৰ্মাহঁতৰ কোনেও নাজানে। গতিকে—গাড়ী এখন মতাই আনি, ভূপতিক লগত লৈ বেমাৰী আৰু বেমাৰীৰ লগত আন দুজনমান চহৰলৈ বুলি ৰাওনা হ'ল।

ভূপতিয়ে কথাটোত বেয়া নাপালে, কিয়নো আজি শনিবাৰ দিনা তেওঁ চহৰলৈ যাব লগা আছিলেই—তেওঁৰ ছোৱালী-

জনীৰ ঘৰলৈ নগ'লেই নহ'ব।

গাড়ীত বহি ভূপতিয়ে ভাবি থাকিল: এচ্! হৰকান্তক আৰু অলপমান দেৰিকৈ যাবলৈ কোৱাহেঁতেন এই কিনকিনীয়া বৰষুণত—সি-ও গাড়ীত উঠি যাব পাৰিলেহেঁতেন। এতিয়া আৰু উপায় নাই। কিয়নো গাড়ীৰে চহৰতৈ যোৱা বাট আৰু খোজ কাঢ়ি যোৱা বাট বেলেগ বেলেগ। গতিকে—যি হ'ল হ'ল আৰু।

নগেন শৰ্মাক হস্পিটালত ভৰ্তি কৰাৰ পাছত ভূপতি গ'ল তেওঁৰ ছোৱালীজনীৰ ঘৰলৈ। কিন্তু হৰকান্ত তেতিয়ালৈকো পো ৱা হি নাই। ভূপতিয়ে ক'লে,

"বেচেৰাই খোজ কাঢ়ি আহিছে তো—গতিকে অলপ দেৰি হৈছে। আহিব, চিন্তা নাই। সি মানুহটো অতি কৰ্তব্য-পৰায়ণ আৰু কামিলা।"

আৰু লগে লগে হৰকান্ত হাজিৰ!

ভূপতিয়ে তেওঁৰ ছোৱালীজনীলৈ সপ্ৰশংস দৃষ্টিৰে চালে। ক'লে,"দেখিলানে, সি বাস্তৱিকেই কৰ্তব্যপৰায়ণ আৰু কামিলা।" তাৰ পাছত হৰকান্তক ক'লে, "শাড়ীখনত পানী পৰা নাই তো—?"

"হেঃ আপুনি কৈ দিয়া সত্বেও পানী পৰিবনে? পানীৰ ছিটিকণিও নাই পৰা সেই শাড়ীখনত।"

ভূপতিয়ে আচৰিত মানি হৰকান্তক সুধিলে, "কেনেকৈনো সম্ভৱ হ'ল—? পানী দেখোন—ছেদভেদ নোহোৱাকৈ পৰিয়েই আছে……।"

"বুধি থাকিলে সকলো সম্ভৱ হয় নহয়—? শাড়ীখন এটা টিনৰ বাকচত ভৰাই থৈছোঁ নহয়—?" হৰকান্তই হাঁহো হাঁহোঁকৈ ভূপতিক ক'লে।

"টিনৰ বাকচ—? ক'ত আছে?" ভূপতিয়ে ভেবা লাগি সুধিলে।

"টিনৰ বাকচতো—পানী সোমাই শাড়ীখন নষ্ট হ'পাৰে বুলি ভাবি বাকচটো আমাৰ পালেঙৰ তলত ভৰাই থৈ আহিছু।"

শুনি ভূপতিৰ মূৰত যেনিবা সৰগ পৰিল। তেওঁ চহৰৰপৰা গাড়ী এখন লৈ বেগাই গাঁৱলৈ গ'ল আৰু পালেঙৰ তল-ৰ পৰা শাড়ীখন সেই টিনৰ বাকচৰপৰা উদ্ধাৰ কৰি পুনৰ গাড়ীত উঠি চহৰলৈ আহি বিয়াৰ আগে আগে শাড়ীখন কথমপি দিলে আৰু পাছদিনাই কম দৰমহা লোৱা কাম বেছি কৰা হৰকান্তৰ সলনি কম কাম কৰা বেছি দৰমহা লোৱা বোধ-বুধি থকা কামৰ মানুহটোক পঠাবলৈ বন্ধু নৃপতিলৈ লিখি পঠালে।

চিঠিখন হৰকান্তয়েই কঢ়িয়াই লৈ গ'ল।

মহাভাৰত

১২

যি ব্ৰাহ্মণ-পৰিয়ালখনে তেওঁলোকক আশ্ৰয় প্ৰদান কৰিছিল, তেওঁলোকৰ কি বিপদ হ'ল তাকে, জানিবলৈ কুন্তী ব্ৰাহ্মণৰ ঘৰলৈ গ'ল। তেতিয়া ব্ৰাহ্মণে কান্দি কান্দি তেওঁৰ পত্নী আৰু সন্তানক কৈ আছিল :

"এই সংসাৰত শান্তিৰে পুত্ৰ পৰিবাৰৰে সৈতে জীৱনযাপন অসম্ভৱ। এই ঠাই পৰিত্যাগ কৰি গুচি যাবলৈ মই বহু আগৰেপৰাই তোমাক কৈ আছিলোঁ; কিন্তু তুমিহে নামানিলা। তেতিয়া গুচি যোৱাহেঁতেন, আজি ইমান বিপদত পৰিবলগা নহ'লহেঁতেন। এতিয়া কি হ'ব? ৰাক্ষসক কাক খাবলৈ দিম? যিজনীয়ে মোৰ সমগ্ৰ জীৱনকাল সুখে-দুখে আছা, সেই তোমাকেই মই দিমনে তাক খাবলৈ? তোমাৰ দৰে সন্তানৱতী সাধ্বীক কদাপি ৰাক্ষসক সমৰ্পিব নোৱাৰোঁ। আমাৰ পুত্ৰটিকো নিশ্চয় দিব নোৱাৰিম। ই আমাৰ একমাথোন বংশজ। গতিকে একমাত্ৰ উপায় হ'ল—নিজক সমৰ্পণ। তাৰ বাহিৰে আৰু কোনো উপায় দেখা নাই।"

ব্ৰাহ্মণৰ পৰিবাৰে উচুপি উচুপি ক'লে, "আপোনাৰ মৃত্যুৰ অৰ্থ—আমাৰো মৃত্যু। আপোনাৰ অবিহনে আমাক কোনেও পালন-পোষণ নকৰিব। আৰু—আমাৰ ৰোপাটিক তুলি-তালি ডাঙৰ-দীঘল কৰাৰ শকতি মোত নাই। গতিকে তাৰ ভৱিষ্যত

সেই সহায় মই—নিশ্চয়েই কৰিম।"

ব্ৰাহ্মণে কুন্তীক ক'লে, "হে দেৱী! আপুনি দয়াৱতী, গতিকে তেনেকৈ কৈছে। কিন্তু আমাক আমাৰ আগন্তুক বিপদৰপৰা কোনো মনুষ্যই ৰক্ষা কৰিব নোৱাৰে। এই ঠাইৰ সমীপস্থ মহাৰণ্যত এটা ভয়ংকৰ ৰাক্ষস আছে। তাৰ নাম বকাসুৰ, সি নৰভক্ষক। তাৰ চৰ্ত হ'ল—এই অঞ্চলৰপৰা এজনকৈ মানুহ প্ৰতিদিন তাৰ খাদ্য হিচাপে দিব লাগিব, নহ'লে সি যাক য'তে পাব—ধৰি ধৰি খাব। প্ৰতিদিন একুৰি বস্তা চাউল, দুটা ম'হ আৰু এটা মানুহ—তাক দিব লাগিবই। আজি আমাৰ পাল পৰিল। তাক এই-বোৰ দিয়াৰ বাহিৰে কোনো উপায়ো নাই। আমাৰ এই দেশৰ ৰজা আমাক ৰক্ষা কৰাত অসমৰ্থ, শক্তিহীন। গতিকে—আমাৰ জীয়াই থকাৰ আন কোনো উপায় নাই।" কিবা উপায় থকাহেঁতেন মই এনেকৈ নাকান্দিলোঁহেঁতেন।

তেতিয়া কুন্তীয়ে ক'লে, "মহাশয়, আপুনি এই কথাত নিঃচিন্ত হৈ থাকক যে—মই মোৰ পুত্ৰ এটিক বকৰাক্ষসক বধিবলৈ পঠাম। বকাসুৰ যিমানেই শক্তিশালী নহওক, মোৰ পুত্ৰৰ কোনো অনিষ্ট কৰিব নোৱাৰিব। কিন্তু এতিয়া

বোলা একো নাথাকিব। আৰু সেই কাৰণে, আপোনালোক থাকক, মই ৰাক্ষসৰ আহাৰ হ'ম। আৰু—নাৰী বুলি যদি সেই মহাভয়ংকৰ নিৰ্মম-নিষ্ঠুৰ ৰাক্ষসে মোৰ প্ৰতি দয়া প্ৰদৰ্শন কৰে, তেনেহ'লে ময়ো ৰক্ষা পৰিম।"

পৰিবাৰৰ কথাত ব্ৰাহ্মণ অধিক শোকাৰ্ত হ'ল আৰু আগতকৈ অধিককৈ কান্দি থাকিল।

তেতিয়া কুন্তীয়ে ব্ৰাহ্মণক ক'লে, "মহাশয়, আপোনালোকৰ বিপদৰ কথা ভাঙি-পাতি ক'বনে? মোৰদ্বাৰা যদি কিবা সহায় হয়—যদি মই পাৰোঁ

মই যিটি কথা ক'লোঁ—এই কথা আপোনালোকে অনুগ্ৰহ কৰি কাকো ভুলে-পাহৰণেও নক'ব, অ মু গ্ৰ হ ক ৰি কথাটো সম্পূৰ্ণ গোপন ৰাখিব।"

তাৰ পাছত, ব্ৰাহ্মণৰ ঘৰৰপৰা ওলাই আহি কুন্তীয়ে বকৰাক্ষসৰ তথা ব্ৰাহ্মণ-পৰিয়ালৰ বিপদৰ সবিস্তাৰ বিবৰণ ধৰ্মৰাজক ক'লে।

সকলো কথা শুনাৰ অন্তত ধৰ্মৰাজে ক'লে, "ইমান দিনৰ অন্তত তেও আমি আমাৰ উপকাৰীব্ৰাহ্মণ-পৰিয়ালক কথঞ্চিত সহায় কৰিব পাৰিম আৰু তাৰ ফলত নিশ্চয় আমি কিঞ্চিত পুণ্যৰো অধিকাৰী হ'ম।"

ধৰ্মৰাজে ভাবিলে: ভীমেই হ'ল আমাৰ প্ৰকৃত বিপত্তাৰণ। যিকোনো বিপদৰপৰা ভীমেই সদায় আমাক উদ্ধাৰিছে। দুৰ্য্যোধনৰ নিৰ্মিত জতুগৃহৰ-পৰা ভীমেই তাৰ বাহু বলেৰে আমাক উদ্ধাৰ কৰি আনিলে। যদি কৌৰৱহঁতৰ কবলৰপৰা কেতিয়াবা ৰাজ্য উদ্ধাৰ কৰিব লাগে, ভীমৰ অবিহনে কদাপিও সেই কাৰ্য্য সম্ভৱ নহ'ব।

ধৰ্মৰাজে ক'লে, "এই বিপদৰপৰাও ব্ৰাহ্মণ-পৰিয়ালখনক একমাত্ৰ আমাৰ ভীমেই ৰক্ষা কৰিব পাৰিব আৰু সেই ভয়ংকৰ ৰাক্ষসটোক বধ কৰিব পাৰিব।"

মাতৃ কুন্তীয়ে ক'লে, "যদি এনেহেন বিপদত আমি ব্ৰাহ্মণক সহায় কৰিব পাৰিও সহায় নকৰোঁ, আমাক নিশ্চয় ঘোৰ পাপে ছুব। ভীমৰ যে কোনো বিপদ নহ'ব, সেই কথাত মই নিঃচিন্ত। আৰু—আমাৰ উদ্দেশ্য যিহেতু সৎ, সিহেতু আমাৰ পুণ্য নিশ্চয়েইহে হ'ব।"

মাতৃৰ কথা ধৰ্মৰাজে মানি ল'লে আৰু পাছত ভীমক তেওঁ এই পুণ্যব্ৰত কামটি কৰিবলৈ উদগালে।

পাছদিনা, ব্ৰাহ্মণে ভীমক ভালৰো ভাল খোৰাবস্তুৰে আপ্যায়িত কৰিলে। আৰু তাৰ পাছত বিছ বস্তা চাউল বিধো-

বিধ খাদ্য আৰু দুটা ম'হ আৰু এটা গাড়ী ভীমক দিলে।

ভীমে গাড়ীখনত এইবোৰ বোজাই কৰি ম'হ দুটাৰ সৈতে সেই মহাৰণ্যলৈ গৈ থাকিল—যি-মহাৰণ্যত আছিল বকৰাক্ষসৰ নিবাস। ভীমে মহাৰণ্যৰ একাষত গাড়ীখন ৰখালে আৰু তাত থিয় হৈ, চাৰিওফালে চাই লৈ, বকাসুৰৰ নাম লৈ তাক চিঞৰি চিঞৰি মাতিবলৈ ধৰিলে আৰু লগতে গাড়ীৰে কঢ়িয়াই অনা খাদ্যবস্তু একমনে জুতি লগাই খাবলৈ ধৰিলে।

এটা নগণ্য মানুহৰ পোৱালিয়ে তাক নাম ধৰি মাতি থাকিব, এই কথাত বকাসুৰে অপমান পালে। সি অত্যন্ত ক্রুদ্ধ হ'ল। সি দৌৰি দৌৰি ভীমৰ ওচৰলৈ আহিল। সি দেখিলে যে একচক্রপুৰীয়াই তালৈ যি খাদ্য পঠাইছে, সে সুস্বাদু খাদ্য দুঃসাহসী মানুহ এটাই খাই আছে।

বকাসুৰ ৰাক্ষসে চিঞৰি সুধিলে, "হেই! তই—কোন? মৰিবি মৰিবি— তই খাই-ভূঁহুৰাই দন টানি খায়েই মৰিবিনে? মৰিবলৈ আহিছ—তথাপি খাই আছনো কেনেকৈ?"

কিন্তু ভীমে বকাসুৰৰ কথালৈ কেৰপকে নকৰি একমনে খায়েই থাকিল।

ইমান অপমান অসহ্য! বকাসুৰে চকু ৰঙা কৰি বিৰাট গৰ্জন কৰি তাৰ দুয়োখন হাত দাঙি ভীমৰ ওপৰলৈ জঁাপ মাৰি

পৰিল। কিন্তু ভীমে বকাসুৰৰ জঁপিয়া-জঁপিলৈ পৰোৱা নকৰিলে, তাৰ পিনে ঘূৰিও নাচালে। আৰু তাৰ প্ৰতি ভীমৰ এই উপেক্ষাৰ বাবে বকাসুৰে অগ্নিমূৰ্তি ধৰি ভীমৰ পিঠিত ৰামভুকু শোধালে আৰু তাৰ পাছত বিৰাট গছ এজোপা উৎপাৰি আনি চালে যে—ভীমে অতি নিঃচিন্তভাবে খাই-বৈ হাত-মুখ ধুবলৈ অৰণ্যৰ অদূৰৱৰ্তী যমুনা নৈলৈ গৈছে।

তাৰ পাছত, হাত-মুখ ধুই পানী খাই, লাহে-ধীৰে ভীম সেই ভয়ংকৰ ৰাক্ষস বকাসুৰৰ পিনে আগুৱান হ'ল।

ইতিমধ্যে বকাসুৰে ভীমলৈ টোঁৱাই যিজোপা গছ দলিয়াই মাৰিছিল, সেই গছজোপা ভীমৰ সোঁহাতত আছিল। তিমানতে আন এজোপা গছ বকাসুৰে ভীমলৈ দলিয়ালে আৰু ভীমে তেওঁৰ বাঁওহাতৰে সেই বিৰাট গছজোপা হেলা-ৰঙে ধৰি—বকাসুৰলৈ চাই মিচিকীয়ালে।

আৰু তাৰ পাছমুহূৰ্তত ভীম আৰু বকাসুৰৰ মাজত মল্লযুদ্ধই মূৰ দাঙিলে। দুয়ো দুয়োকো থেকেচি থাকিল, কিন্তু কোনেও কাকো কাবু কৰিব নোৱাৰিলে।

কিন্তু এসময়ত বকাসুৰ ভাগৰি পৰিল, আৰু ঠিক সেই ছেগতে ভীমে বকাসুৰৰ ঠেঙত লেং মাৰি তালৈ বগৰাই পেলাই মুহূৰ্ততে তাৰ বুকুৰ ওপৰত উঠি বহিল আৰু তাক বিৰাট বিৰাট কিল-ঘোচাৰে জৰ্জৰিত কৰিবলৈ ধৰিলে।

আৰু বহু সময় ধৰি ভীমে নিস্তজ বকাসুৰক কিল-ঘোচা গোৰ আদিৰে আহত কৰাৰ ফলত এসময়ত বকাসুৰে তেজ বঁতিয়াবলৈ ধৰিলে আৰু বিকট মৰ-চিঞৰেৰে সেই বিৰাট-বিশাল মহাবণ্য মুখৰিত কৰি তুলিলে।

আৰু তীব্ৰ মৰণ-আৰ্তনাদ শুনি তাৰ লগৰীয়া ৰাক্ষসইঁত লৰৰি আহিল। ভীমে সিহঁতলৈ চাই কঠোৰ কণ্ঠেৰে ক'লে, "আগলৈ তইঁতেও যদি এই অৰণ্যত বা

ক'তো মানুহ মাৰিছ, তইঁতকো এইদৰেই যমৰ দুৱাৰ্ দেখুৱাম, জানি থ । খবৰ্দাৰ !"

ভীমে বকাসুৰৰ মৃতদেহ প্ৰকাশ্য ঠাইত বিশাল বৃক্ষ এজোপাত ওলোমাই থৈ গৃহলৈ উভতি আহিল আৰু জ্যেষ্ঠ ধৰ্মৰাজক সকলো সম্বাদ বিবৰিলে ।

বকাসুৰ বধৰ সম্বাদ সকলোতে বিয়পি পৰিল ; কিন্তু বকাসুৰহেন ভয়াবহ ৰাক্ষসক—যিটো ভয়ানক ৰাক্ষসক ৰজায়ো বধিব পৰা নাছিল—কোনে বধিলে সেই কথাটোহে জনা নগ'ল ।

তথাপি প্ৰজাবৰ্গই নিজ নিজ ইষ্ট-দেৱতালৈ পূজা আগ কৰিলে আৰু কিছুমানে সেই ব্ৰাহ্মণক সুধিলে যে, বকাসুৰক কোনে বধিলে । কিয়নো, বকাসুৰৰ আহাৰৰ বাবে ব্ৰাহ্মণৰ যে এইবাৰ পাল পৰিছিল—ৰাইজে জানিছিল ।

কুন্তীদেৱীয়ে কোৱা কথাখিনি ব্ৰাহ্মণৰ মনত পৰিল । ব্ৰাহ্মণে ৰাইজক ক'লে, "আজি যে আমাৰ পাল আছিল বকাসুৰৰ আহাৰৰ কাৰণে, জানেই । আৰু আমিও সেই বাবে বাধ্যত পৰি সাজু হৈ আছিলোঁ । কালি আমাৰ ঘৰলৈ সিদ্ধ পুৰুষ এগৰাকীৰ আবিৰ্ভাৱ হৈছিল আৰু আমি তেওঁক আমাৰ দুখৰ কথা কৈছিলোঁ। তেওঁ বকাসুৰৰ আহাৰৰ বাবে দুটা ম'হ, চাউল আদি লৈ নিজেই গৈছিল বকাসুৰৰ তালৈ । বোধ হয় তেৱেঁই—সেই সিদ্ধ-পুৰুষজনায়েই বকাসুৰক বধিলে ।"

বকাসুৰ বধৰ কেইদিনমানৰ পাছত এগৰাকী ব্ৰাহ্মণে এই ব্ৰাহ্মণ-পৰিয়ালৰ আতিথ্য গ্ৰহণ কৰিলে । কথাই কথাই তেওঁ শিখণ্ডী, ধৃষ্টদ্যুম্ন দ্ৰৌপদী আদিৰ কথা ক'লে, দ্ৰৌপদীৰ স্বয়ংবৰৰ সংক্ষিপ্ত বিৱৰণো ক'লে তেওঁ । তাৰ পাছত কুন্তী আৰু পাণ্ডৱসকলেও দ্ৰৌপদীৰ বা-বিবৰণ জানিবলৈ আগ্ৰহ প্ৰকাশ কৰাত অতিথি ব্ৰাহ্মণে কৈ থাকিল ঃ [আগলৈ



মূল-সূত্ৰ

জগদীশ তাৰ বন্ধু জগৎপতিৰ ঘৰলৈ গৈ আছিল। বাটত হাটত সোমাই জগদীশে দুখন ছপা কৰা চিত্ৰ কিনিলে, ইখন বিষ্ণুৰ, সিখন শিৱৰ।

বন্ধু জগৎপতিৰ ঘৰ পায়েই জগদীশে জগৎপতিক ক'লে, "তোমাৰ কাৰণে লৈ আহিলোঁ এই দুখন…কিজানি ভালেই পাবা…।"

জগৎপতিয়ে চিত্ৰ দুখন চাই ভালেই পালে, আৰু তাৰ ল'ৰাটোক মাতি ক'লে, "হেৰ নৰপতি—ইফালে আহচোন—নাৰায়ণইঁতৰ ঘৰৰপৰা হাতুৰিটো আন, ছবি দুখন দেৱালত ওলোমাই থওঁ।"

নৰপতি তেতিয়াই গ'ল আৰু ঘূৰিল আৰু ক'লে, "তেওঁলোকৰ বোলে হাতুৰি নাই।"

"তো—ৰমেশইঁতৰ ঘৰৰপৰা আনগৈ যা।" জগৎপতিয়ে ক'লে।

কিন্তু এইবাৰো নৰপতি শুদা হাতেৰেই আহিল। তাতো হাতুৰি নাই।

তাৰ পাছত জগৎপতিয়ে আৰু তিনি ঘৰলৈ পঠালে নৰপতিক। কিন্তু হাতুৰি কাৰো নাই।

তেতিয়া জগৎপতিয়ে অতি দুখ মনেৰে জগদীশক ক'লে, "দেখিলাই নহয়—? হাতুৰি—আটাইবিলাকৰ ঘৰতেই আছে, কিন্তু নিদিয়ে। এয়ে হ'ল আমাৰ সমাজৰ মানুহবোৰ, একতা হ'ব কেনেকৈ?"

জগদীশে মূৰ দুপিয়ালে, কিন্তু একো নক'লে। তেতিয়া জগৎপতিয়ে তাৰ ল'ৰাটোক ক'লে, "নৰপতি, যা তেন্তে—আমাৰ কাঠৰ পেৰাটোৰ ভিতৰত হাতুৰিডাল আছে, বেগাই লৈ আহ।"

শুনি জগদীশ ভেবা লাগিল আৰু সমাজৰ একতা নথকাৰ মূল-সূত্ৰ যেনিবা বিচাৰি পালে।



বড় গছ

অন্ততপক্ষে এজোপাও বড়গছ নথকা ঠাই ভৰতত বিৰল। কেৱল শ্ৰদ্ধাৰে বৃক্ষ-দেৱতা-ৰূপে পূজাৰ কাৰণেই নহয়, ক্লান্তি-শ্ৰান্তিৰপৰা বিশ্ৰামৰ কাৰণেও বড়গছ বৰ আদৰৰ। এই গছৰ শাখা-প্ৰশাখা ইমানেই সুবিস্তৃত যে এজোপা বড় গছকে এখন সৰুসুৰা গাঁও যেন লাগে। বড়গছৰ তলত একেলগে আনকি কেইবাশ মানুহেও জিৰণি ল'ব পাৰে। মূলতঃ পাৰস্য উপসাগৰৰ পাৰত এই বড়গছ একালত আছিল ভাৰতৰপৰা পাৰস্যলৈ বেপাৰ-বণিজলৈ যোৱা বণিজাৰ বা বানিয়াইঁতৰ বিশ্ৰামৰ স্থান, আনকি কেইবাদিনো ধৰি অৱস্থানৰো স্থান। এই বৃক্ষৰ গুটি একালত তেওঁলোকৰ যোগেদিয়েই সেই সুদূৰ পাৰস্যৰপৰা ভাৰতলৈ আহিছিল। এই বৃক্ষক হিন্দীত 'বৰ' বা' বেৰ' মাৰাঠীত 'ৱৰ', তামিলত 'পেৰাল' তেলুগুত 'মাৰি' বাংলাত 'বট' আৰু অসমীয়াত 'বড়' গছ বোলে। ইংৰাজিত এই বৃক্ষক 'বেনিয়ান ট্ৰি' বোলে—যি 'বেনিয়ান' সেই বানিয়াসকলৰপৰা উৎপত্তি বুলি অনুমিত। ইংৰাজিত এই বৃক্ষক 'ইণ্ডিয়্যান ফিগ ট্ৰি'-ও বোলে।

আগৰকালত সন্তানহীনাই সন্তানৰ আশাৰে বড়গছক পূজিছিল। সাৱিত্ৰীয়ে হেনো সত্যৱানৰ জীৱনৰক্ষাৰ বাবে 'বটবৃক্ষ'লৈ কাতৰ আবেদন জানাইছিল। জেঠ মাহৰ সেই দিনটোক 'বট-সাৱিত্ৰী' বোলে।

আমাৰ দেশত—সমগ্ৰ বিশ্বত খ্যাত বিছুমান বড়গছ আছে। সেই বিখ্যাত বড়গছ-সমূহৰ অন্যতম তথা সৰ্বশ্ৰেষ্ঠ হ'ল—কলিকতাৰ ওচৰত শিৱপুৰৰ ব'টানিক্যাল গাৰ্ডেনৰ সুবৃহৎ বটবৃক্ষ, আৰু মাদ্ৰাজৰ অ্যাডেয়াৰত থিঅ'ছফিক্যাল ছোছায়িটিৰ প্ৰাংগণৰ বটবৃক্ষ, বিহাৰৰ গোপপুৰিয়া বটবৃক্ষ।

বড়গছ এবিধ ডাঙৰ আওকাঠী গছ, খৰালি পাত সৰি লঠা হয় ডাল কাটি ৰুলেও গছ হয়, সৰু ঘুৰণীয়া গুটি চৰাইবিলাকৰ প্ৰিয় খাদ্য। বড়গছৰ অনেক জাতি আছে, যেনে : জৰি বড়, কঁঠলুৱা বড়, বামণী বড়।

ভাৰতৰ ঋষিকুল—৩

না ৰ দ

নাৰদ হ'ল ঈশ্বৰৰ আৰু তেওঁৰ সৃষ্টিৰো সমভাৱে প্ৰিয়। নাৰদ হ'ল ব্ৰহ্মাৰ পুত্ৰ আৰু বিষ্ণুৰ ভক্ত। তেওঁ তেওঁৰ বীণ বাদন কৰোঁতে নাৰায়ণৰ (বিষ্ণু) নাম লয়। তেওঁ নাৰায়ণৰ নাম জপ কৰি কৰি ত্ৰিলোক ভ্ৰমি ফুৰে।

বাল্মীকিয়ে নাৰদক সুধিছিল যে সংসাৰত সৰাতোকৈ শ্ৰেষ্ঠ মানৱ কোন। উত্তৰত নাৰদে ৰামচন্দ্ৰৰ কথা কৈছিল। নাৰদৰ এই উত্তৰেই বাল্মীকিক ৰামায়ণ মহাকাব্য ৰচনা কৰাত উদ্‌গাইছিল আৰু তমসা নৈৰ তীৰত বহি তেওঁ কাব্যধাৰা প্ৰবাহিত কৰিছিল।

পাণ্ডৱসকলে যেতিয়া এক নতুন নগৰৰ প্ৰতিষ্ঠা কৰিবলৈ লৈছিল, নাৰদে তেওঁলোকৰ আগত ইন্দ্ৰপুৰী, কুবেৰপুৰী আদিৰ বৰ্ণনা কৰিছিল, যাৰ ফলশ্ৰুতি হ'ল পাণ্ডৱসকলৰ ৰাজধানী 'ইন্দ্ৰপ্ৰস্থ'।

আমাৰ অজ্ঞতাৰ কাৰণে আমি ভাবোঁ যে, নাৰদ হ'ল কলহ-বিবাদৰ উৎসাহদাতা। কিন্তু আচলতে নাৰদে মন্দৰ ওপৰত মংগলৰ প্ৰভাবহে বিস্তাৰ কৰিবলৈ বিচাৰে। উদাহৰণস্বৰূপে, কংসক যেতিয়া শিশুকৃষ্ণৰ সন্ত্ৰেন লাগিছিল, নাৰদে কংসক কৈছিল যে, যেৱে শিশুকৃষ্ণক বধিবলৈ বিচাৰিব, তাকেই শিশুকৃষ্ণয়েই বধিব। কৃষ্ণ ক'ত আছে, নাৰদে সেই কথা কংসক কৈছিল। কংসই কৃষ্ণক বধিবলৈ গৈ নিজেই বধিত হৈছিল। নাৰদৰ প্ৰচেষ্টাৰেই অধৰমী কংসৰ ধাৰ্মিক কৃষ্ণৰ হাতত মৃত্যু হৈছিল, অধৰ্মৰ পৰাজয় আৰু ধৰ্মৰ জয় হৈছিল।

নাৰদক আনকি ৰাৱণৰো মৃত্যুৰ হেতু বুলি ক'ব পাৰি।

এবাৰ ৰাৱণে নাৰদৰপৰা 'ওম্'-অৰ অৰ্থ জানিবলৈ খোজাত নাৰদে ৰাৱণক কৈছিল যে ৰাৱণ এই শব্দৰ অৰ্থ জনাত অধিকাৰী নহয়। ক্ৰুদ্ধ উত্তেজিত ৰাৱণে নাৰদৰ জিভা কাটি পেলাব বুলি কোৱাত নাৰদে ৰায়ণক এই অভিশাপ দিছিল যে ৰাৱণৰ দহো মুণ্ড শীঘ্ৰেই কটা যাব।

নাৰদৰ মাজত জ্ঞান-তৃষ্ণা আছিল অত্যধিক। এদিন তেওঁ মহাবিষ্ণুক সুধিছিল, "বিশ্বসৃষ্টিৰ আধাৰ হেনো মায়া, এই মায়া—কি?"

বিষ্ণুৱে নাৰদক কৈছিল, "মায়া কি—কালক্ৰমে তুমি নিজেই জানিবা।"

এদিন নাৰদে এখন গাঁৱৰ মাজেদি গৈ

থাকোঁতে দোপালপিটা বৰষুণ দিবলৈ ধৰিলে। আৰু তেতিয়া নাৰদে বাধ্যত পৰি এটা ঘৰৰ দুৱাৰত খটখটালেগৈ। এজনী ধুনীয়াবো ধুনীয়া ছোৱালীয়ে দুৱাৰ খুলি দিলে। তাৰ পাছত, ছোৱালীজনীৰ পিতৃ-মাতৃৰ অনুৰোধত নাৰদে এই ছোৱালীজনীক বিবাহ কৰালে আৰু তেওঁ তাতেই বসবাস কৰিবলৈ ধৰিলে।

তাতেই বহু বছৰ পাৰ হৈ গ'ল। নাৰদ এতিয়া কেইবাটিও ল'ৰা-ছোৱালী পিতৃ। এতিয়া নাৰদে তেওঁৰ জীৱনৰ সকলোপ্ৰকাৰৰ সমস্যাৰে জৰ্জৰিত হৈ পৰিছিল।

এনিশা বিৰাট বানপানীয়ে নাৰদৰ গৃহ বুৰাই পেলালে আৰু এই বানপানীয়ে তেওঁৰ পত্নী-পুত্ৰ-কন্যা আদিক উটুৱাই লৈ গ'ল? তেওঁ আৰ্তকণ্ঠেৰে চিঞৰি উঠিল, "নাৰায়ণ! নাৰায়ণ!" পাছ মুহূৰ্ততে নাৰদে নিজক মহাবিষ্ণুৰ আগত দণ্ডায়মান হৈ থকা দেখা পালে। —তেওঁৰ অতীত এক সপোনৰ দৰে মিলাই গ'ল আৰু মায়া যে কি বস্তু তেওঁ উপলব্ধি কৰা হ'ল।

নাৰদে ৰজা অশ্বপতিক এই সতৰ্কবাণী দিছিল যে – অশ্বপতিৰ কন্যা সাবিত্ৰীয়ে এক ৰজাৰ কোঁৱৰ সত্যবানক পতিৰূপে গ্ৰহণ কৰিবলৈ বাঞ্ছা কৰিছে, যিজন সত্যবানৰ এবছৰৰ অন্তত মৃত্যু হ'ব। নাৰদৰপৰা এই কথা শুনাৰ ফলত সাবিত্ৰীয়ে ৰাজকোঁৱৰ সত্যবানক বিবাহ কৰিছিল। আৰু নাৰদৰ সতৰ্কবাণীৰ কথা মতে ঠিক এবছৰৰ অন্তত সত্যবানৰ মৃত্যু হ'ল। মহাসতী সাবিত্ৰীয়ে মৃত্যু-দেৱতাৰপৰা তেওঁৰ স্বামী সত্যবানৰ আত্মা ঘূৰাই আনিব পাৰিছিল তথা শতপুত্ৰৰ জননী হ'ব বুলি বৰ লাভ কৰিছিল।

নাৰদ হ'ল সুপ্ৰাচীন কালৰ ভাৰতৰ সুমহান ঐতিহ্যৰ ধাৰক-বাহক তথা এক অতি উল্লেখযোগ্য আকৰ্ষণীয় চৰিত্ৰ।

জানিবলগীয়া

১. কোনখন দেশে আটাইতকৈ অধিক তেল উৎপাদন কৰে ?
২. 'ভাৰতৰ শ্বেক্সপিয়াৰ' বুলি কাক কোৱা হয় ?
৩. গ্ৰিনল্যাণ্ড কোনখন দেশৰ অংগ ?
৪. এখন নৈৰ উৎস তিব্বতত, হিমালয়ৰ মাজেদি প্ৰবাহিত, আৰু সাগৰত পৰাৰ আগতে গংগাত যুক্ত। নৈখনৰ নাম ?
৫. বাঁহজাতীয় উদ্ভিদৰ মাজত সৰ্বাতোকৈ ওখ ?
৬. এখন ভাৰতীয় নগৰক সাপ্তদ্বীপৰ নগৰ বুলি কোৱা হয় ? নাম ?
৭. অনাতাঁৰ বা ৰেডিঅ'ৰ আৱিষ্কাৰক ?
৮. 'ৰামচৰিত মানস'ৰ ৰচক কোন ?
৯. 'অৰ্থশাস্ত্ৰৰ জনক' বুলি কাক কোৱা হয় ?
১০ আকবৰে কোনগৰাকী ৰাজপুত ৰাজকুঁৱৰীক বিবাহ কৰাইছিল ?
১১. ম্যালেৰিয়া জ্বৰৰ দৰৱ কুইনাইন কোন গছৰ ছালৰপৰা উৎপাদিত হয় ?
১২. ১৪৯৮ চনত উত্তমাশা অন্তৰীপ হৈ ভাৰতলৈ অহাৰ বাট কোনে আৱিষ্কাৰ কৰিছিল ?
১৩. ৰামায়ণত বৰ্ণিত লক্ষ্মণৰ পত্নীৰ নাম কি আছিল ?
১৪. বাৰ্লিন কোনখন নৈৰ পাৰত অৱস্থিত ?
১৫. ইন্দোনেছিয়াৰ সুমাত্ৰাৰ এক থলুৱা নাম আছে। কি ?
১৬. এগৰাকী মিছৰবাসী পৃথিৱীৰ প্ৰথম অভিযানকাৰী। নাম ?

জানক

১. ৰুশ দেশ।
২. কালিদাস।
৩. ডেনমাৰ্ক।
৪. ব্ৰহ্মপুত্ৰ।
৫. বাঁহ।
৬. মুম্বাই (বম্বে)।
৭. জি. মাৰ্কনি।
৮. তুলসীদাস।
৯. অ্যাডাম স্মিথ।
১০. যোধাবাঈ।
১১. ছিন্‌কোনা গছ।
১২. ভাস্কো-ডা-গামা।
১৩ উৰ্মিলা।
১৪. স্প্রি।
১৫. জাভা মাইনৰ।
১৬. হেন্না।

ছাল নথকা গছ

ভৰত বাস্তৱিকতে মানুহজন ভাল। পৰোপকাৰী। লোকক সহায় কৰাতেতেওঁৰ আনন্দ। কিন্তু তথাপি—কিয় কোৱা নাযায়—ৰাইজে ভৰতক সিমান ভাল নাপায় বুলিহে ভৰতৰ ধাৰণা। এই কথাত ভৰত দুঃখিত আৰু চিন্তিতো।

ভৰতৰ পৰিবাৰ ভাৰতী-কোমলমনা। গিৰিয়েকক সদায় চিন্তিত হৈ থকা দেখি এদিন ভাৰতীয়ে ভৰতক ক'লে, "আনৰ উপকাৰ কৰি যিমান আনন্দ, তাতকৈ নিৰানন্দতায়েই দেখোন বেছি। আপুনি আনৰ উপকাৰ কৰাৰ চিন্তা একেবাৰে বাদেই দিয়ক।"

এতিয়াৰপৰা কথাষাৰ ভাৰতীয়ে প্ৰায়েই ভৰতক কোৱা হ'ল।

পৰিবাৰৰ কথা পোমতে ফু-তে উৰায়েই দিছিল; কিন্তু পাছত ভৰতে ভাৰতীৰ কথা, মানিয়েই লৈছিল। ভাবিছিল: আনৰ সহায় কৰাৰ মূৰ্খতা আৰু নকৰাই ভাল।

ভৰতৰ ঘৰৰ বিপৰীত ফালে শিৰৰ ঘৰ। শিৰে স্থায়ী ভাবে চহৰত থাকিবলৈ স্থিৰ কৰি তাৰ ঘৰটো বেচিবলৈ যো-জা কৰি আছিল, আৰু তাৰ এই ঘৰটো বেচাৰ দায়িত্ব ভৰতকে দিব বুলি মনতে ভাবিছিল।

কথাটো ভৰতক কোৱাত ভৰতে শিৰক কৈছিল, "মই যাকেই সহায় কৰোঁ, তাৰে সৈতেই—কিয় ক'ব নোৱাৰোঁ—মোৰ কাজিয়া-বিবাদ লাগি পৰে। তুমি গাঁও এৰি যাবলৈ ওলাইছা, গতিকে তোমাৰ লগত কিবা কাজিয়া-পেচাল

ভাৰতী দাস

নিজৰ গাঁও এৰি আন কোনোবাখন গাঁৱত থকাৰ কথা বহুদিনৰেপৰাই কৈ আছিল। তেওঁ শিৰৰ ঘৰটো কিনিবলৈ মনস্থ কৰি ভিনিহীয়েক ভৰতৰ ওচৰলৈ আহিল, কিন্তু 'নিজৰ মানুহ' হোৱাত ভৰতে ভুৱনক চিঠি লিখি নিদিলে। কিয়নো শিৱই বেয়া ধাৰণা কৰিব পাৰে।

ভুৱনে ক'লে, "ভিনদেউ, এনেকুৱা ঘৰ এটা পট্‌কৈ ক'তো নাপাওঁ নহয়—? তুমি চিঠিখন লিখি দিয়া, মই যাওঁ শিৰৰ ওচৰলৈ। এনে সোণালী সুযোগ সদায় সুদায় নাহে।"

কিন্তু তথাপি ভৰতে ক'লে, "তুমি মোৰ পৰিবাৰ নিজৰ ভাই। মোৰ ঘৰটো ইমানেই ডাঙৰ যে—ইয়াত চাৰিখন পৰিয়াল স্বচ্ছন্দে থাকিব পাৰে। তুমি আমাৰ ইয়াত থাকা, নিজৰ ঘৰ বুলি ভবিলেই হ'ল।"

ভুৱনে তেওঁৰ ভিনিহীয়েক ভৰতৰ আঁকোৰগোঁজীয়া স্বভাৱৰ কথা নজনা নহয়। গতিকে—শিৰৰ ঘৰটো লোৱাৰ আশা এৰিলে তেওঁ।

তাৰ পাছত এদিন গোপী নামৰ মানুহ এজন ভৰতৰ ওচৰলৈ আহিল আৰু ভৰতক ক'লে, "জানেই, মই ধনৰ দুখীয়া। ঘৰ এটা কিনাৰ জোখাৰে টকা মোৰ—সঁচা

হোৱাটো বৰ দুখৰ কথা হ'ব। তুমি আন কাৰোবাক এই দায়িত্ব দিয়া।"

শিৱই হাঁহিলে আৰু ক'লে, "ঠিক আছে, মই ঘৰত তলা মাৰি গুচি যাম। তুমি আন একো নকৰিলেও হ'ব, কেৱল কোনোবা কিনোতা আহে যদি—মোৰ ঠিকনাটো তেওঁক দিবা। আৰু হেঁা— শুনা, তুমি ছুপাৰিচ কৰি যাৰ হাতত চিঠি লিখি পঠাবা, মই—দাম কম হওক-বেছি হওক—তাকেই ঘৰটো বেচিম।"

পাছদিনা ঘৰৰ দুৱাৰত তলা মাৰি শিৱ চহৰলৈ গ'লগৈ।

ভৰতৰ খুলশালীয়েক ভুৱনে তাৰ

ক'বলৈ হ'লে—নায়েই। তথাপি, কষ্ট কৰি হ'লেও ঘৰ এটা নিজাকৈ লাগে। নিজাকৈ ঘৰ নাই—এই চিন্তাত মোৰ কলিজাৰ বেমাৰ সদায় বাঢ়ি গৈ আছে দয়া কৰি চিঠি এখন লিখি দিয়ক, শিৰৰ ঘৰটো মই লওঁ। পিছে—টকাখিনি কিস্তিত দিব পাৰিম, এবাৰতে নোৱাৰিম।"

কিন্তু—এই কাম ভৰতে কেনেকৈ কৰিব? আনৰ কিস্তিৰ টকাৰ দায়িত্ব লয় কেনেকৈ? গতিকে—গোপীক তেওঁৰ অসুবিধাৰ কথা বুজাই কৈ তাক বিদায় কৰিলে। চিঠি নিলিখিলে।

অলপ সময়ৰ পাছত গোপীৰ ঘৈণীয়েক মনমোহিনী ভৰতৰ কাষ চাপিল, মনমোহিনীৰ কথা হ'ল: তাইৰ গিৰিয়েক কলিজাৰ বেমাৰী; চিন্তাত কলিজাৰ এই বেমাৰ বাঢ়ে। ডাক্তৰেও তাকে কয়। গতিকে—যেনেকৈয়েই নহওক ভৰতকায়ে এইখিনি উপকাৰ কৰকেই, শিৰলৈ চিঠি এখন লিখি দিয়কেই।

ভাৰতী দয়াৱতী। অতি কোমলমনা, মৰমসনা। এতেকে—গিৰিয়েকক টানি ধৰিলে চিঠিখন লিখি দিবলৈ। আৰু—

আৰু উপায় নাপাই ভৰতে শিৰলৈ চিঠিখন লিখিলে।

দুটামান দিনৰ অন্তত গোপী পুনৰ ভৰতৰ ওচৰলৈ আহিল। গোপীয়ে ভৰতক ক'লে, "আপুনি কিমান যে ভাল মানুহ; কিন্তু আপোনাৰ বন্ধু শিৰ ইমান যে বেয়া! মাত কথাতে কটু-কটুৰ। আৰু তাৰ কথা হ'ল— টকাখিনি দুটা কিস্তিতে দিব লাগে! কওকচোন ক'ত পাওঁ, ক'ৰপৰা দিওঁ? নলওঁ তাৰ ঘৰ। ভাড়া ঘৰত থাকিম, লাগিলে গছ-তলতে থাকিম, তথাপি মই কেতিয়াও তাৰ ঘৰ আৰু নল'ম।"

ভৰতে গোপীক বুজালে: এনেকুৱা ঘৰ গাঁৱত হঠাৎ নোপোৱা, পাৰিলে কিনি লোৱা। আৰু ইমান কম দামত পায়ো



যদি নিকিনা, ঢেৰ বেছি দাম দি মোৰ খুলশালীয়েৰায়েই কিনি ল'বলৈ সাজু হৈয়েই আছে।

ভৰতে পুনৰ এখন চিঠি লিখি দিলে শিৰলৈ। সেই চিঠিখন লৈ গোপী গুচি গ'ল। ঘৰটো যাতে গোপীকে দিয়ে— সেই মৰ্মে চিঠিখনত লিখি দিছিল।

কিন্তু চিঠিখনৰ উত্তৰত শিৰেই গোপীক কি ক'লে, কি সিদ্ধান্ত ল'লে, গোপীয়ে ভৰতক নক'লেহি। ভৰতে আৰ-তাৰ মুখে মাত্ৰ ইমানকে শুনিলে যে গোপীয়ে শিৰৰ ঘৰটো কিনি লৈছে।

গোপীয়ে এই খবৰটো ভৰতক কিয় নিদিলেহি, ভৰতে বুজি নাপালে। বিষয়টো কি—খৰচি মাৰি জানিবলৈহে ভৰতে এদিন গোপীৰ পৰিবাৰ মোহিনীক ভাত খোৱাৰ বাবে মাতি পঠালে।

মনমোহিনী নহাকৈ নাথাকিল, আহিল, ভাত-পানীও খালে, ইকথা-সিকথাও পাতিলে; কিন্তু শিৰৰ ঘৰটোৰ বিষয়ে মুখত লেকাম দি থাকিল, ভৰতেও ভদ্ৰতাৰ বাবে অস্বস্তিকৰ একো মনমোহিনীক নুসুধিলে।

তাৰ পাছত শিৰৰ ঘৰত গোপীৰ গৃহ-প্ৰবেশৰ দিন আহিল, ভৰতো বৰ চিন্তিত হৈ উঠিল। তেতিয়া ভাৰতীয়ে ভৰতক ক'লে, "এইবাৰ আপোনাক চিন্তাত পেলালোঁ মইহে। মই মোৰ অন্যায় মানি লৈছোঁ। অতি আচৰিত কথা, তথাপি কিজানি সঁচা যে উপকাৰীক সঁচাকৈয়েই অজগৰে খায়। আমাৰ সহায়তাৰে ঘৰটো কিনিলে, আৰু আমাকেই শতুৰু বুলি ভাবি ল'লে। এই বেমাৰৰ দৰৱ আমি নজানো, ভুৱনে জানে। প্ৰয়োজনত ইহঁতে আমাৰ ভৰিও তলুৱাও চেলেকিব, পাছত আৰু চিনিকে নাপাব। ভুৱন আমাৰ ঘৰত কিছুদিনলৈ থাকক, চাওঁ সি কি কৰে।"

এই কথাত ভৰতে সন্মতি দিলে।

আৰু থুলশালীয়েক ভুৰন পা-পৰিয়ালে ভৰতৰ ঘৰত থাকিবলৈ ল'লে।

এদিন গোপী ভৰতৰ ঘৰলৈ আহিল। ভুৰনে দুৱাৰ মুখতে গোপীক ৰখালে আৰু কিয় আহিল বুলি সুধিলে। গোপীয়ে ক'লে, "কাইলৈ আমাৰ গৃহ-প্ৰবেশ, সেইহে নিমন্ত্ৰণ কৰিবলৈ অহিলোঁ।

"ভিনদেউৰ গা ভাল নাই। তোমাৰ কথা মই ক'ম বাৰু।" ভুৰনে ক'লে।

গোপী গুচি গ'ল।

গোপীৰ গৃহ-প্ৰবেশৰ অনুষ্ঠান বৰ ধুমধামেৰেই চলি থাকিল। গাঁৱৰ ভালেমানেই আহিছিল। ভৰতৰ ঘৰৰপৰা কোনো এজনকো গোপীৰ গৃহ-প্ৰবেশৰ অনুষ্ঠানত দেখা নাপাই গাঁৱৰ ৰাইজে আচৰিত মানিলে।

পাছত কোনোবা এজনে ভুৰনক সুধিলে যে ভৰত ডাঙৰীয়া গোপীৰ গৃহ-প্ৰৱেশৰ অনুষ্ঠানলৈ নগ'ল কিয়।

ভুৰনে মানুহজনক ক'লে, "গোপীয়ে ভিনদেউক নিমন্ত্ৰণ কৰা নাছিল।"

এইফালেদি গৈ থাকোঁতে ভুৰনৰ কথাষাৰ গোপীৰ কাণত পৰিছিল। গোপীয়ে কৈ উঠিল, "মিছা কথা কৈছে! মই নিমন্ত্ৰণ কৰিবলৈ আহিছিলোঁ। তুমি ক'বা বুলি নকৈছিলানে?"

"মই তোমাক কৈছিলোঁ যে ভিনদেউৰ গা ভাল নাই। কিন্তু তুমি তেওঁৰ কি হৈছে—তাৰ সামান্য খবৰো লোৱা নাছিলা। নিমন্ত্ৰণৰ ইচ্ছা থকাহেঁতেন তুমি আমাৰ ঘৰৰ ভিতৰলৈ গৈ নিজেই তেওঁক নিমন্ত্ৰণ কৰিব পাৰিলাহেঁতেন।"

ভুৰনৰ কথাৰ উত্তৰত গোপীয়ে আৰু একোকে নক'লে। তলমূৰ হৈ চুপচাপ তাৰপৰা গুচি গ'ল।

ভৰতে উপলব্ধি কৰিলেঃ বচনত এনেয়ে লিখা নাই যে উপকাৰী গছৰ ছাল নাথাকে।

টেঙৰৰ ভিঙিত ডোল

জংগলৰ জন্তু-জানোৱাৰবোৰে থিৰাং কৰিলে যে এতিয়াৰপৰা সিহঁতেও খেতি-বাতি কৰিব। ভাবিবলৈ দেৰি, কৰিবলৈ খৰ। কোৰ-কোদাল-নাঙল-কুঠাৰ আদি লৈ জংগলৰ যতমানে জন্তু কামত লাগিল।

বেলিয়ে খাওঁ খাওঁ মূৰ্তি ধৰিছে। ইমান যে থিয় ৰ'দ! শহাই আৰু কাম কৰিব নোৱাৰা হৈছে। কিন্তু ভয়ৰ চোটত জিৰণি ল'ব পৰা নাই, আনবিলাকে ক ক থিঁ ব-থেকেচিব তাক। মেহনত নকৰিবি যদি—মুখেদিও পেটলৈ একো নপঠাবি—ক'ব তাক। গতিকে—ভাগৰি পৰা সত্বেও সি কাম কৰিয়েই থাকিল।

কিন্তু নহয়, আৰু নোৱাৰিছে সি। সি ফন্দি এটা পাঙিলে। তাৰ ঠেঙত কাঁইটে বিন্ধিছে—এনেকুৱা ভাও দিলে, সামান্য সময়লৈ অন্যান্য জন্তুৰ চাল-চলনলৈ লক্ষ্য কৰিলে, আৰু তাৰ পাছত এডেং-ফুডেকৈ কোনেও নেদেখাকৈ পত্ৰং দিলে।

গৈ গৈ কুঁৱা এটা পালেগৈ। কুঁৱাটোৰ দুই চুকত দুটা বাল্টি ওলমি আছিল আৰু আছিল এডাল দীঘল ৰছী।

শহাটোৱে একে জাঁপে এটা বাল্টিৰ ভিতৰ পালেগৈ, আৰু লগে লগে বাল্টিটো তললৈ পৰিবলৈ ধৰিলে। অৱস্থা গমি শহাই কঁপি উঠিল: এতিয়া কি হ'ব? কুঁৱাৰ পানীত ডুবি মৰিব লাগিব।

কিন্তু বাল্টিটো নুডুবিল, কুঁৱাৰ পানীৰ ওপৰত অলপমান কাতি হৈ ভাহি থাকিল। শহাটোৱো একেবাৰে লৰ-চৰ নকৰাকৈ থিৰে-জুৰে বহি থাকিল।

ইপিনে—শহা-বপুৰাই ফাট মৰালৈ

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’

শিয়ালে প্ৰথমৰেপৰাই মন কৰিছিল। শিয়ালেও শহাৰ পিছে পিছে হাতত সাৰে —ভৰিত সাৰে গৈ গৈ সেই কুঁৱা পালেগৈ। পাই—পিছ ঠেঙৰ ওপৰত থিয় হৈ কুঁৱাৰ তললৈ চাই পঠালে, শহাকে বাল্টিৰ ভিতৰত বহি থকা দেখা পালে। শিয়ালে ভাবিলে: সি শহা দেখাতহে সৰু, বুদ্ধিত গৰু নহয়; নিশ্চয় কিবা এটা উপায় উলিয়াই এনেকৈ মনে মনে ইয়ালৈ আহি বহি আছে।

শিয়ালে মিঠা মাতেৰে মাত লগালে, "হেৰা শহা পেহা, কি কৰিছা তাত?"

"কোন—? অঃ! শিয়ালহেনে? কোৱা কি ক'বা।" শহাই ক'লে।

"তাত বহি বহি কিনো কৰিছা?" শিয়ালে সুধিলে।

"কি আৰু—মাছ মাৰি আছোঁ আৰু আৰাম কৰি খাই আছোঁ। ইয়াত ইমান যে মাছ! মাছ খাবা যদি তুমি সৌ বাল্টিটোত উঠি বহি ইয়ালৈ আহা।" শহাই শিপা কাটিলে।

শহাৰ কথা মতে শিয়াল বাল্টিটোৰ ভিতৰত বহিলগৈ, আৰু লগে লগে বাল্টিটো তললৈ পৰিবলৈ ধৰিলে। আৰু এই বাল্টিটো তললৈ পৰোঁতে শহা বহি থকা সেই বাল্টিটো আপোনা-আপুনিয়েই ওপৰৰ ফালে উঠি থাকিল।

কুঁৱাটো আছিল অতি দ'। আধা-খিনিমান বাটত শিয়ালৰ বাল্টিৰ লগত শহাৰ বাল্টিৰ ভেটাভেটি হ'ল। শহাই শিয়ালক ক'লে, "মই ঢেৰ মাছ-খালোঁ, ওপৰলৈ গৈ অলপ শৌচ-পেচাব কৰি আহোঁগৈ। তিমানতে তুমি তাত মজাছে মাছ মাৰি খাই থাকাগৈ।"

এইদৰে কুঁৱাৰপৰা উঠি মাটি পায়েই জাঁপ মাৰি পৰি শহা পুনৰ জংগললৈ সোমাল শিয়ালৰ এটি মাথোন চিঞৰ শহাকণীয়া শহাৰ কাণত পৰিল।




Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!


It's time to go back to school again. Time for text books. Time for games. Time to meet old friends. And make new ones. Time to start studying again. Because there's so much to learn about the world around you.
From all of us here at Chandamama, have a great year in school. And remember to tell us what you've learnt everyday, when you come home from school !
SUPER RUBBER
THE
HANDAMAMA
OLLECTION
ARTIG1246

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৫ চনৰ ছেপটেম্বৰ মাহৰ সংখ্যাত প্ৰকাশিত হ'ব।



Mahantesh C. Morabad

Mahantesh C. Morabad

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৫ চনৰ জুলাই মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৫ চনৰ এপ্ৰিল মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : জীয়াই থকাৰ বাসনা

দ্বিতীয় ফটো : জীৱন জয়ৰ কল্পনা

থানেশ্বৰ ডেকা / চমাৰকুছি / সানেকুছি ৭৮১ ৩৫০ / অসম

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব।]

ভাৰতত বছৰেকীয়া বৰঙনি চা ন্দ মা মা ৬০.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Eagle Water Bottles
we're all game for it
How about you ?
Congo
Waves
Volga
Brooks
Amazon
OVER 1 LAKH SURPRISE GAMES TO BE WON
■ For cool, hygienic & odourless water.
■ Useful at school & while travelling.
■ Zingy shapes & colours to choose from.
■ Available in capacities ranging from 325 ml. to 2200 ml.
NO ENTRY FEE
No Purchase Required
To win a surprise game, match the names of Eagle Water Bottles with the phrases given below. And get this coupon stamped from your nearest Eagle outlet.
[A] Brooks [ ] A river in South America
[B] Amazon [ ] A river in Russia
[C] Congo [ ] Movement of sea
[D] Volga [A] Streams of water
[E] Waves [ ] A country in West-Central Africa
Name:........................B'day........
Address:........................
Entries must reach the following address before 31/8/95. Eagle Flask Industries Ltd., Eagle Estate, Talegaon-410507. Dist.Pune. Tel: 02114-22321-25. Fax 02114-22676.
Winners will be intimated by post.
DART/EF/3750
EAGLE FLASK INDUSTRIES LTD.
There's a lot you can do with Eagle

HARMONY / 181 – 95